গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৯ অক্টোবৰ ২০২৬/২১ আহিন ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ২৬ ● Vol - 15, Issue - 26

কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।

— সম্পাদক

# 'বিকশিত ভাৰত সংকল্প সভা'ত অংশগ্ৰহণ কৰি এই ঐতিহাসিক সেৱা-যাত্ৰাক স্মৰণ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



**ৰমেন ভৰালী, বংশৰ ঃ** গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে আৰম্ভ কৰি দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদী ডাঙৰীয়াই যোৱা ২৫ বছৰে দেশসেৱাৰ প্ৰতি যি অটল নিষ্ঠা, দৃঢ় সংকল্প আৰু নেতৃত্বৰ পৰিচয় দিছে, সেয়া আমাৰ সকলোৰে বাবে অনুপ্ৰেৰণাৰ উৎস। খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত 'বিকশিত ভাৰত সংকল্প সভা'ত অংশগ্ৰহণ কৰি এই ঐতিহাসিক সেৱা-যাত্ৰাক স্মৰণ কৰাৰ লগতে অসমৰ জনসাধাৰণৰ সৈতে এই গৌৰৱময় মুহূৰ্তটো ভগাই ল'বলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ বুলি কয় অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ভাষণ প্ৰসংগত তেখেতে আৰু কয় যে মহান উপলক্ষটিত আৰম্ভ কৰা 'সেৱা জ্যোতি কলহ যাত্ৰা'ই সেৱা, সংকল্প আৰু বিকশিত ভাৰতৰ এই বাৰ্তা অসমৰ প্ৰতিটো প্ৰান্তলৈ কঢ়িয়াই নিব। অসমৰ উন্নয়ন আৰু বিকাশৰ বাবে মাননীয় মোদী ডাঙৰীয়াৰ অপাৰ সহযোগিতা কৃতজ্ঞ অসমবাসীয়ে সদায়ে মনত ৭ পৃষ্ঠাত



## স্বৰ্ণজয়ী লাভলীনা বৰগোহাঁইক মুখ্যমন্ত্ৰীৰ অভিনন্দন



**ৰমেন ভৰালী, বংশৰ ঃ** এছিয়ান গেমছৰ স্বৰ্ণজয়ী লাভলীনা বৰগোহাঁইক লোকসেৱা ভৱনত যোৱা ৬ অক্টোবৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জনোৱাৰ লগতে ৫০ লাখ টকাৰ চেক প্ৰদান কৰে। স্বৰ্ণকন্যা লাভলীনা বৰগোহাঁইক অতিৰিক্ত আৰক্ষী অধীক্ষক পদলৈ পদোন্নতি দিয়া হ'ব বুলিও ঘোষণা কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

## লাভলীনা বৰগোহাঁইক কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যৰ উষ্ম আদৰণি



**ৰমেন ভৰালী, বংশৰ ঃ** স্বভূমিত উপস্থিত হোৱা স্বৰ্ণকন্যা তথা ৰাষ্ট্ৰীয় গৌৰৱ লাভলীনা বৰগোহাঁইক ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই যোৱা ৬ অক্টোবৰত গুৱাহাটী বিমানবন্দৰত উষ্ম আদৰণি জনায়। ভাৰতৰ গৌৰৱ স্বৰ্ণকন্যা লাভলীনা বৰগোহাঁইয়ে এছিয়ান গেমছ-২০২৬ত বক্সিং খেলৰ মহিলাৰ ৭৫ কেজি শাখাত সোণৰ পদক অৰ্জন কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই স্বৰ্ণকন্যাগৰাকীক গুৱাহাটী বিমানবন্দৰৰ পৰা ধাৰাপুৰ চাৰিআলিলৈ আদৰি আনি উষ্ম আদৰণি জনায়।

## শুৱালকুছিৰ শিপিনীৰ হাতত উন্নত মানৰ উৰামাকোঁ তাঁতশাল বিতৰণ

**ৰমেন ভৰালী, বংশৰ ঃ** অসমৰ বয়নশিল্পৰ প্ৰাণকেন্দ্ৰ স্বৰূপ শুৱালকুছিৰ শিপিনীসকলৰ দক্ষতা, সৃষ্টিশীলতা আৰু পৰম্পৰাগত বয়নশিল্পক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে যোৱা ৬ অক্টোবৰত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প মন্ত্ৰালয়ৰ সহযোগত শুৱালকুছি মেগা হেণ্ডলুম ক্লাষ্টাৰত ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন কাৰ্যসূচীৰ অধীনত শিপিনীসকলৰ ৭ পৃষ্ঠাত



## নগাঁৱত আন্তৰ্জাতিক নাগৰিক দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱৰ সামাজিক অনুষ্ঠান জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত আৰু চৰকাৰী পেঞ্চনাৰ সন্থা নগাঁৱৰ সহযোগত নগাঁও চৰকাৰী পেঞ্চনাৰ ভৱনত আন্তৰ্জাতিক জ্যেষ্ঠ নাগৰিক দিৱসটি উদ্‌যাপন কৰা হয়। এই উপলক্ষে এক মুকলি সভাৰো আয়োজন কৰা হয়। জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সদৰ শাখাৰ সভাপতি শিৱানন্দ কাকতিয়ে সভাপতিত্ব কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনত কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি সভাত বহু গুৰুত্বপূৰ্ণ মতামত আগবঢ়ায়। সভাতেই দুগৰাকী জ্যেষ্ঠ নাগৰিক ক্ৰমে - বিশিষ্ট চিকিৎসক ডাঃ মাধৱ চন্দ্ৰ দত্ত আৰু অৱসৰপ্ৰাপ্ত শিক্ষা পৰিদৰ্শক প্ৰেমেশ্বৰ দাসক ৭ পৃষ্ঠাত

## শুৱালকুছিত 'সাহিত্যৰ নৱৰস মঞ্চ'ৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠান

**নমিতা দাস, শুৱালকুছি ঃ** সাহিত্যৰ চৰ্চাৰ ক্ষেত্ৰত বৰ্তমান সময়ত সামাজিক মাধ্যমত এচাম নবীন-প্ৰবীন লেখক-লেখিকাই বিশেষ ভূমিকা পালন কৰি আহিছে। এনে এক পদক্ষেপৰ সৈতে জড়িত 'সাহিত্যৰ নৱৰস মঞ্চ' নামৰ সামাজিক মাধ্যমৰ গ্ৰুপটোৱে এটা বছৰ সম্পূৰ্ণ কৰাৰ অৰ্থে যোৱা ৪ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানটো শুৱালকুছিত অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে নৱৰসৰ মঞ্চৰ উপদেষ্টা ৰুক্মিণী দাস আৰু সন্মানীয় সদস্যা নীলিমা দাসে। ইয়াৰ পিছত চন্দনা কলিতাৰ সুমধুৰ মঙ্গলা চৰণেৰে মঞ্চ উদ্বোধন কৰা হয়। উৰ্মিমালা ৭ পৃষ্ঠাত

# ‘সেৱা সংকল্প অভিযান’ শিৱসাগৰ জিলাৰ নাজিৰা মহাবিদ্যালয়ত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ৰাজ্যজুৰি অব্যাহত থকা ‘সেৱা সংকল্প অভিযান’ৰ অংশ হিচাপে শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ অন্তৰ্গত নাজিৰা মহাবিদ্যালয়ত এক স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে, ‘সেৱা সংকল্প অভিযানৰ’ অংশ হিচাপে ৫ অক্টোবৰত নাজিৰা মহাবিদ্যালয়ত দ্বিতীয়খন ব্লক পৰ্যায়ৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। উক্ত  অনুষ্ঠানৰ শুভ উদ্বোধন কৰে নাজিৰা সমষ্টিৰ বিধায়ক ময়ুৰ বৰগোহাঁইয়ে। শিৱসাগৰ জিলা প্ৰশাসনে আয়োজন কৰা সেৱা সংকল্প অভিযানৰ অধীনত সোমবাৰে নাজিৰা মহাবিদ্যালয়ত আয়োজিত সেৱা সেতু অভিযানৰ অংশ হিচাপে জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত এই স্বাস্থ্য আৰু কল্যাণ শিবিৰ আয়োজন কৰা হয়। এই স্বাস্থ্য শিবিৰত ৬৮২ গৰাকী হিতাধিকাৰীক স্বাস্থ্যসেৱা আগবঢ়োৱা হয়। শিবিৰত শিৱসাগৰ জিলাৰ লগতে যোৰহাট আৰু ডিব্ৰুগড়ৰ চিকিৎসা মহাবিদ্যালয়ৰ পৰা অহা বিশেষজ্ঞ চিকিৎসক উপস্থিত থাকি চিকিৎসা সেৱা প্ৰদান কৰে। লগতে এই শিবিৰত মোবাইল মেডিকেল ইউনিটৰ জৰিয়তে বিনামূলীয়া তেজৰ বিভিন্ন পৰীক্ষাসমূহ, ইচিজিৰ সুবিধা প্ৰদান কৰাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰাৰ উপৰিও যক্ষ্মা ৰোগ নিৰ্ণয়ৰ বাবে এক্সৰেৰ সুবিধা প্ৰদান কৰা হয়। এই শিবিৰত আয়ুষ্মান আৰোগ্য কাৰ্ড, জন্ম আৰু মৃত্যুৰ প্ৰমাণ-পত্ৰ, আভা আই ডি পঞ্জীয়ন কৰা তথা এই সন্দৰ্ভত থকা বিভিন্ন অসুবিধা দূৰীকৰণৰ প্ৰচেষ্টা কৰা হয়। সেৱা সংকল্প অভিযানৰ অধীনত স্বাস্থ্য বিভাগে জনসাধাৰণৰ ওচৰলৈ সহজলভ্য তথা সামগ্ৰিক স্বাস্থ্যসেৱা আগবঢ়াইছে বুলি উপস্থিত হিতাধিকাৰীসকলে মতপ্ৰকাশ কৰে।

# বিশিষ্ট লেখিকা বন্দনা নাথ ঠাকুৰীয়ালৈ ‘বন্ধু সাহিত্য বঁটা ২০২৬’ প্ৰদান



**লক্ষ্যজ্যোতি বৰা ঃ** বজালী জিলাত অনুষ্ঠিত হোৱা পাণ্ডুলিপি প্ৰতিযোগিতাত বজালীৰ স্বেচ্ছাসেৱী সংগঠন ‘বন্ধু’ই ‘বন্ধু সাহিত্য বঁটা-২০২৬’ নগাঁও জিলা ধিঙৰ বিশিষ্ট লেখিকা-সাহিত্যিক বন্দনা নাথ ঠাকুৰীয়ালৈ শিশু কবিতাৰ পাণ্ডুলিপি ‘শৈশৱৰ ধেমালি’ৰ বাবে প্ৰদান কৰে। ইতিমধ্যে ২০২৩ চনত তেখেতৰ গ্ৰন্থ ‘হেৰোৱা দিগন্তৰ সন্ধানত’ উপন্যাসখনৰ বাবে ‘গোপাল আটা সাহিত্য বঁটা’, গল্পপুথি ‘এটি কণমানিৰ আৰ্তনাদ’ বাবে ‘শব্দ সৌৰভ বঁটা’ লাভ কৰে। ইয়াৰ উপৰিও নগাঁও জিলাৰ ‘সাহিত্য প্ৰৱাহ’ৰ তৰফৰ পৰা "1st Annual artist award 2023" আৰু গুৱাহাটীৰ ‘সোণপৰুৱা শিশু আৰু সমাজ কল্যাণ পৰিষদ’ৰ তৰফৰ পৰা ‘অভিনন্দন ও প্ৰেৰণা বঁটা’ লাভ কৰে। লগতে বিভিন্ন সময়ত অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা বিশেষভাৱে সম্বৰ্ধনা লাভ কৰিছে। ঠাকুৰীয়াই বৰ্তমান অসমৰ এখন আগশাৰীৰ শিশু আলোচনী ‘মৌ-মাত’ৰ মুখ্য সম্পাদিকাৰ লগতে ‘ৰাইজৰ খবৰ’ কাকতত সংবাদ সেৱা আগবঢ়াই আহিছে। তেখেত ‘অসম সাহিত্য সভা’ আৰু ‘সদৌ অসম কবি সন্মিলন’ৰ আজীৱন সভ্য। ইতিমধ্যে বন্দনা নাথ ঠাকুৰীয়াৰ গল্প, কবিতা, উপন্যাস, সাধু, উপন্যাসিককে ধৰি ন খন গ্ৰন্থ প্ৰকাশ পোৱাৰ উপৰিও তেখেতৰ সম্পাদনাত তিনিখনকৈ গ্ৰন্থ প্ৰকাশ পাইছে। উক্ত বঁটাটি পাঠশালা সাহিত্য সভা ভৱনত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰদান কৰে।  বন্দনা নাথ ঠাকুৰীয়াৰ এই সফলতাই ধিং অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। প্ৰাপ্তিৰ এই সন্মানৰ বাবে ঠাকুৰীয়াই বজালীৰ স্বেচ্ছাসেৱী সংগঠন ‘বন্ধু’লৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# সেৱা সংকল্প অভিযানৰ অধীনত ছুহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বাস্থ্য আৰু কল্যাণ শিবিৰ



**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** সেৱা সংকল্প অভিযানৰ অধীনত গুমাফুলবাৰী উন্নয়ন খণ্ডৰ ছুহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। স্থানীয় ৰাইজৰ ওচৰলৈ সামগ্ৰিক স্বাস্থ্যসেৱা আৰু বিভিন্ন চৰকাৰী সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে এই শিবিৰৰ আয়োজন কৰা হয়। শিবিৰত মুঠ ১,১২৯ গৰাকী হিতাধিকাৰীয়ে পঞ্জীয়ন কৰি স্বাস্থ্যসেৱা গ্ৰহণ কৰে। মেডিচিন, অৰ্থ'পেডিক্স, ছালৰোগ, চকু, প্ৰসূতি আৰু স্ত্ৰীৰোগ, শিশু চিকিৎসা, নাক-কাণ-ডিঙি আৰু মনোৰোগ বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ লগতে জেনেৰেল এমবিবিএছ আৰু আয়ুষ চিকিৎসা বিষয়াসকলে ৰোগীক পৰামৰ্শ, চিকিৎসা আৰু স্বাস্থ্য সম্পৰ্কীয় দিহা-পৰামৰ্শ আগবঢ়ায়। শিবিৰত ৪২০ গৰাকী লোকৰ পৰীক্ষাগাৰত পৰামৰ্শ আৰু ৪২০টা পৰীক্ষা সম্পন্ন কৰা হয়। লগতে ১৫টা ইচিজি কৰা হয়। শিবিৰস্থলীত এখন ম'বাইল মেডিকেল ইউনিট (MMU)-ৰ জৰিয়তেও স্বাস্থ্যসেৱা আগবঢ়োৱা হয়। অসংক্ৰামক ৰোগ আৰু কৰ্কট ৰোগৰ পৰীক্ষাৰ অংশ হিচাপে ৪২০ গৰাকী লোকৰ উচ্চ ৰক্তচাপ আৰু ৪২০ গৰাকীৰ ডায়েবেটিছ পৰীক্ষা কৰা হয়। ইয়াৰ উপৰি ৮৮ গৰাকীৰ মুখগহ্বৰৰ কৰ্কট ৰোগ, ৫৫ গৰাকী মহিলাৰ স্তন কৰ্কট ৰোগ আৰু ৫৫ গৰাকী মহিলাৰ জৰায়ুমুখৰ কৰ্কট ৰোগৰ পৰীক্ষা কৰা হয়। প্ৰয়োজন অনুসৰি হিতাধিকাৰীসকলক স্বাস্থ্য পৰামৰ্শ আৰু উন্নত চিকিৎসাৰ বাবে ৰেফাৰেল সেৱা আগবঢ়োৱা হয়। শিবিৰত দাঁতৰ চিকিৎসা, প্ৰতিবন্ধিতা আৰু যক্ষ্মা সম্পৰ্কীয় সেৱাও প্ৰদান কৰা হয়। যক্ষ্মা সম্পৰ্কীয় সেৱা ৩১ গৰাকী, প্ৰতিবন্ধিতা সম্পৰ্কীয় সেৱা ২৩ গৰাকী আৰু দাঁতৰ সেৱা ১৩ গৰাকী লোকে গ্ৰহণ কৰে। ইয়াৰ লগতে ১৫ গৰাকী হিতাধিকাৰীক AB-PMJAY সেৱা আৰু এগৰাকী হিতাধিকাৰীক জন্ম-মৃত্যু পঞ্জীয়ন সেৱা প্ৰদান কৰা হয়। ইয়াৰ ফলত ৰাইজে নিজ বাসস্থানৰ ওচৰতে বিভিন্ন স্বাস্থ্য আৰু চৰকাৰী সেৱা লাভ কৰাৰ সুবিধা লাভ কৰে। সেৱা সংকল্প অভিযানৰ অধীনত আয়োজিত এই শিবিৰত বিশেষজ্ঞ চিকিৎসক, চিকিৎসা বিষয়া, ম'বাইল মেডিকেল ইউনিট আৰু ক্ষেত্ৰ পৰ্যায়ৰ স্বাস্থ্যকৰ্মীসকলৰ সমন্বিত প্ৰচেষ্টাত ৰাইজৰ বাবে সহজলভ্য, প্ৰতিৰোধমূলক আৰু সামগ্ৰিক স্বাস্থ্যসেৱা আগবঢ়োৱা হয়।

# লাটিমাৰ বিশ্ব নাথ শৰ্মা মজলীয়া বিদ্যালয়ৰ দুৱাৰ-খিৰিকী, ডেক্স-বেঞ্চ তথা চৌহদৰ বেৰ নিৰ্মাণৰ আহ্বান




**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত লাটিমাস্থিত বিশ্ব নাথ শৰ্মা মজলীয়া বিদ্যালয়খনৰ দুৱাৰ-খিৰিকী তথা ডেক্স-বেঞ্চ আদি বৰ্তমানে অধিকাংশই ভঙা-ছিঙা অৱস্থা হোৱাৰ বিপৰীতে বিদ্যালয় গৃহৰ টিনপাতবোৰো মাজে মাজে নষ্ট হৈছে। তদুপৰি বিদ্যালয়খনৰ চৌহদৰ তিনি ফালৰ বেৰ নথকাত শৈক্ষিক পৰিৱেশ বিঘ্নিত হোৱা বুলিও জানিব পৰা গৈছে। এইক্ষেত্ৰত বিদ্যালয়খনৰ শিক্ষক তথা পৰিচালনা সমিতিয়ে স্থানীয় জনপ্ৰতিনিধি তথা বিভাগীয় কৰ্ত্তৃপক্ষক অৱগত কৰি আহিছে যদিও কোনোধৰণৰ সুফল পোৱা নাই। উল্লেখ্য যে উক্ত বিদ্যালয়খন অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ককাদেউতাৰ নামত থকা বিশ্ব নাথ শৰ্মা মজলীয়া বিদ্যালয়খন কেইবছৰমান পূৰ্বে তেওঁলোকৰ পৰিয়াল বৰ্গই বৃহৎ পৰিমাণৰ হাতৰ ধন খৰছ কৰি বিদ্যালয়ৰ ভৱনটো সম্পূৰ্ণ নিৰ্মাণ কৰি দিছিল। এতিয়া বিদ্যালয় গৃহৰ কেইবাখনো  দুৱাৰ-খিৰিকী, ডেক্স-বেঞ্চ ভঙাৰ উপৰিও মাজে মাজে টিনপাতবোৰো নষ্ট  হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত  ছাত্ৰ-ছাত্ৰী সকলৰ অধ্যয়নৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হোৱা বুলি জানিব পৰা গৈছে। তদুপৰি বিদ্যালয় খনৰ চৌহদৰ তিনি ফালৰে বেৰ নথকাত গৰু-ছাগলী সোমাই পৰিৱেশটো বিনষ্ট কৰে। যাৰ ফলত শৈক্ষিক পৰিৱেশ নাইকীয়া হৈ পৰিছে। আনহাতে বিভাগীয় কৰ্ত্তৃপক্ষ তথা স্থানীয় জনপ্ৰতিনিধিক অৱগত কৰাৰ পাছত কোনোধৰণৰ ইতিবাচক সঁহাৰি লাভ নকৰাত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি কংকনা বুজৰবৰুৱা আৰু প্ৰধান শিক্ষক চক্ৰেশ্বৰ কলিতাৰ স্বাক্ষৰিত আৱেদন পত্ৰ এখন অলপতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত অৰ্পণ কৰে। তদুপৰি কমদিনৰ ভিতৰত ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব বুলিও তেওঁলোকে আশা প্ৰকাশ কৰিছে।

# নগাঁও সংসদীয় সমষ্টিত ৭৬.১৯ শতাংশ ভোটদানেৰে শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন

**নগাঁও ঃ** ৯নং নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ যোৱা ৬ অক্টোবৰত সম্পূৰ্ণ শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে সফলতাৰে অনুষ্ঠিত হয়। নগাঁও আৰু মৰিগাঁও দুয়োখন নিৰ্বাচনী জিলাৰ পৰা পোৱা তথ্য অনুসৰি পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ সম্পূৰ্ণ হোৱালৈকে ভোটদানৰ হাৰ ৭৬.১৯শতাংশ। সমষ্টিটোৰ আটাইবোৰ ভোটকেন্দ্ৰত গভীৰ উৎসাহেৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ নাগৰিকৰ দীঘলীয়া শাৰী দেখা যায়। আইন-শৃংখলা বজাই ৰাখি জ্যেষ্ঠ নাগৰিক, দিব্যাংগ ভোটাৰকে ধৰি সকলো ভোটাৰক প্ৰয়োজনীয় সহায় আগবঢ়াই ভোটগ্ৰহণ প্ৰক্ৰিয়াটোক সফল কৰি তোলা হয়। উল্লেখযোগ্য যে, সাধাৰণ পৰ্যবেক্ষকৰ পৰ্যবেক্ষণ অনুসৰি কোনো ধৰণৰ পুনৰ ভোটগ্ৰহণৰ প্ৰয়োজনীয়তা নাই। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সমষ্টিটোৰ সকলো নাগৰিককে তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণ আৰু সহযোগিতাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে ভোটগ্ৰহণত নিয়োজিত কৰ্মচাৰী, নিৰাপত্তা বাহিনী আৰু সংশ্লিষ্ট সকলোৱে নিষ্ঠা আৰু অক্লান্ত পৰিশ্ৰমৰ প্ৰশংসা কৰে আৰু তেওঁলোকৰ বাবে শান্তিপূৰ্ণ আৰু সুশৃংখল ভোটগ্ৰহণ সম্ভৱ হৈছে বুলিও তেওঁ কয়।

# ঐতিহ্যপূৰ্ণ কাকডোঙা নৈৰ প্ৰাকৃতিক সৌন্দৰ্য

■ **শংকৰ দেৱ,** দেৰগাঁও

প্ৰকৃতিৰ বুকুত বৈ যোৱা অসংখ্য সৰু-বৰ নৈ আছে, যাৰ এক নিজস্ব নিজস্ব ৰূপ, বৈশিষ্ট্য আৰু পৰিচয় আছে। কোনোবাখন নৈ ইতিহাসৰ সাক্ষী, কোনোবাখন জীৱন-জীৱিকাৰ আধাৰ, আকৌ কোনোবাখন নৈৰ সৈতে জড়িত হৈ থাকে এখন অঞ্চলৰ লোক সংস্কৃতি আৰু পৰম্পৰা। তেনে এক চিনাকি আৰু আপোন নৈ হৈছে কাকডোঙা। অসমৰ যোৰহাট আৰু গোলাঘাট জিলাৰ সীমামূৰীয়া অঞ্চলৰ মাজেৰে বৈ যোৱা কাকডোঙা নৈ কেৱল এখন নৈ বুলি ক'লেই নহ'ব, ই এই অঞ্চলৰ মানুহৰ জীৱন-যাত্ৰাৰ এক অবিচ্ছেদ্য অংশ।

নৈপাৰৰ গাঁওবোৰৰ পৰিৱেশো সৌন্দৰ্যৰ এক গুৰুত্বপূৰ্ণ অংশ। কোনোবা ঠাইত বাঁহৰ জোপোহা, কোনোবা ঠাইত ভীমকলৰ বাৰী, কোনোবা ঠাইত তামোল-পাণৰ বাৰী, আকৌ কোনোবা ঠাইত ধানৰ ভঁৰাল, গোহালি আৰু পৰম্পৰাগত বাঁহ-বেতৰ ঘৰ। এই সকলোবোৰ মিলি গঢ়ি তোলে অসমীয়া গাঁৱৰ এক পৰম্পৰাগত চিনাকি ছবি। পুৱাৰ কোমল ৰ'দত নৈৰ পাৰৰ গছৰ পাতত জিলিকি থকা নিয়ৰৰ টোপাল, বাঁহনিৰ মাজেৰে বৈ অহা মৃদু বতাহ আৰু নৈৰ পানীৰ কলকল শব্দই যিকোনো প্ৰকৃতিপ্ৰেমীৰ মন মুহি পেলায়।

এই নৈৰ দুয়োপাৰৰ প্ৰাকৃতিক দৃশ্য সঁচাকৈয়ে প্ৰতিটো ঋতু অনুযায়ীয়েই বৰ মনোমোহা। ঋতু সলনি হোৱাৰ লগে লগে নৈখনৰ ৰূপো সলনি হয়। বাৰিষাৰ দিনত পানীৰে পৰিপূৰ্ণ হৈ নৈখনে এক সজীৱ ৰূপ লয়। নৈৰ দুয়োপাৰে থকা সেউজীয়া পথাৰ, গছ-গছনি আৰু গাঁৱৰ পৰিৱেশে চৌদিশে এক শান্ত-সমাহিত সৌন্দৰ্যৰ সৃষ্টি কৰে। ঠিক সেইদৰে শৰৎকাল আহিলে পথাৰৰ ধানৰ সোণোৱালী আভা আৰু নৈপাৰৰ বালিচৰত ফুলা বগা কঁহুৱাই যেন প্ৰকৃতিক নতুন সাজেৰে সজাই তোলে। সেইদৰে ঋতুৰ সলনিৰ সৈতে এই নৈৰ পাৰত ভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকটিৰ উপস্থিতিও চকুত পৰে। বিশেষকৈ বগলী, কণামুছৰি, মাছৰোকা, বৰটোকোলা আদি বিভিন্ন জলচৰ আৰু নৈপৰীয়া চৰাইয়ে নৈখনৰ পৰিৱেশক অধিক সজীৱ কৰি তোলে। পুৱাৰ ভাগত চৰাইৰ মাত আৰু নৈৰ পানীৰ মৃদু শব্দ একেলগে মিলি সৃষ্টি কৰা পৰিৱেশৰ মাজত গ্ৰাম্য অসমৰ এক নিৰ্মল ছবি বিচাৰি পোৱা যায়।

এই নৈৰ সৈতে জড়িত হৈ আছে বহু মানুহৰ জীৱন-জীৱিকাও। নৈখনৰ বুকুত এতিয়াও দেখা যায় মাছমৰীয়াৰ নাও। কোনোবাই জাল পেলাই মাছ ধৰে, কোনোবাই পল' লৈ নৈৰ পানীত নামি পৰে। নৈৰ পানীৰ সৈতে তেওঁলোকৰ সম্পৰ্ক কেৱল জীৱিকাৰেই নহয়, ই যেন পুৰুষানুক্ৰমে চলি অহা এক জীৱন-পদ্ধতি।

এই নৈৰ আন এক বিশেষ পৰিচয় হৈছে ইয়াৰ বৰালি মাছ। কাকডোঙাৰ বৰালি মাছ স্থানীয় ৰাইজৰ মাজত অতিকৈ জনপ্ৰিয়। নৈৰ স্বাভাৱিক পৰিৱেশত পোৱা এই মাছক লৈ বহু পৰিয়ালৰ খাদ্যাভ্যাস আৰু মাছমৰা জীৱনৰ সৈতে এক আন্তৰিক সম্পৰ্ক গঢ় লৈ উঠিছে। নৈৰ পৰা ধৰা সতেজ বৰালি মাছৰ সোৱাদৰ কথা নৈপৰীয়া মানুহৰ মুখত প্ৰায়ে শুনিবলৈ পোৱা যায়। সেয়েহে কাকডোঙাৰ বৰালি মাছ এতিয়া কেৱল এবিধ মাছেই নহয়, ই এই অঞ্চলৰ নৈকেন্দ্ৰিক জীৱন আৰু থলুৱা খাদ্য-সংস্কৃতিৰো এক চিনাকি অংশ।

গধুলিৰ সময়ত এই নৈৰ ৰূপ আকৌ সলনি হয়। পশ্চিম আকাশত বেলি লহিয়াই যোৱাৰ সময়ত নৈৰ পানীত পৰি থকা ৰঙচুৱা আভা, নৈপাৰৰ গছ-গছনিৰ ছাঁ আৰু ঘৰমুৱা চৰাইৰ জাকে এক জীৱন্ত ছবি ডাঙি ধৰে। দূৰৰ কোনোবা নামঘৰৰ পৰা ভাঁহি অহা নাম-প্ৰসংগৰ ধ্বনি আৰু নৈৰ কলকল শব্দ একেলগে মিলিলে সৃষ্টি হয় এক অপূৰ্ব গ্ৰাম্য পৰিৱেশ।

এই নৈৰ সৈতে কৃষিজীৱী মানুহবোৰ গভীৰ সম্পৰ্ক আছে। নৈৰ পানী আৰু নৈপাৰৰ মাটিয়ে অঞ্চলটোৰ কৃষিকাৰ্যত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বাৰিষাৰ পিছত পথাৰ সেউজীয়া হৈ উঠে আৰু ধান পকিবলৈ ধৰিলে সেই একেখন পথাৰেই সোণোৱালী হৈ পৰে। কৃষকৰ কষ্ট, পথাৰৰ সেউজীয়া আৰু নৈৰ পানী-এই তিনিও যেন ইজনে সিজনৰ পৰিপূৰক।

অৱশ্যে বৰ্তমান সময়ত এনে প্ৰাকৃতিক সম্পদ সংৰক্ষণ কৰাটো অতি জৰুৰী হৈ পৰিছে। নৈত পেলোৱা আৱৰ্জনা, পানী প্ৰদূষণ, নৈপাৰৰ গছ-গছনি ধ্বংস, অত্যধিক মাছ ধৰা আদি বিভিন্ন কাৰকে নৈৰ স্বাভাৱিক পৰিৱেশলৈ ভাবুকি কঢ়িয়াই আনিব পাৰে। নৈ এখন কেৱল পানীৰ ধাৰা বুলি ক'লেই নহ'ব, ইয়াৰ সৈতে জড়িত হৈ থাকে মানুহ, মাটি, কৃষি, মাছ, চৰাই, গছ-গছনি আৰু বহু পুৰণি লোক পৰম্পৰা।

সেয়ে কাকডোঙা নৈক সুন্দৰ কৰি ৰখাৰ দায়িত্ব কেৱল চৰকাৰ বা কোনো এটা সংস্থাৰেই নহয়। নৈপাৰৰ প্ৰতিজন বাসিন্দা, স্থানীয় দল-সংগঠন, যুৱসমাজ আৰু সচেতন নাগৰিকে নৈখন পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু প্ৰদূষণমুক্ত কৰি ৰখাৰ ক্ষেত্ৰত আগভাগ ল'ব লাগিব। নৈৰ বুকুৰ মাছ, বিশেষকৈ জনপ্ৰিয় বৰালি মাছৰ স্বাভাৱিক বিচৰণ আৰু প্ৰজননৰ পৰিৱেশ অক্ষুণ্ণ ৰখাৰ প্ৰতিও গুৰুত্ব দিব লাগিব।

আচলতে কাকডোঙা নৈৰ সৌন্দৰ্য কেৱল চকুৰে দেখা দৃশ্যৰ মাজতেই সীমাবদ্ধ নহয়, ইয়াৰ সৌন্দৰ্য নিহিত হৈ আছে নৈপাৰৰ মানুহৰ হাঁহি-কান্দোনত, কৃষকৰ পথাৰত, মাছমৰীয়াৰ জালত, নাওৰ বঠাত, বাঁহনিৰ সোঁ-সোঁৱনি শব্দত, কঁহুৱাৰ বগা ফুলত আৰু গাঁৱৰ সৰল জীৱন-যাপনৰ মাজত। নৈখনৰ সৈতে জড়িত হৈ আছে অতীতৰ বহু স্মৃতি আৰু বৰ্তমানৰ বহু মানুহৰ জীৱিকা।

সেয়েহে কাকডোঙা নৈক কেৱল এখন নৈ হিচাপে চালেই নহ'ব, ই এই অঞ্চলৰ প্ৰকৃতি, ঐতিহ্য, লোক জীৱন আৰু সংস্কৃতিৰ এক জীৱন্ত প্ৰতিচ্ছবি। সময়ৰ সোঁতত বহু কথা সলনি হ'লেও কাকডোঙাৰ বুকুৰে বৈ থকা পানীৰ ধাৰাই যেন আজিও কৈ যায়-প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক যিমান গভীৰ, সেই সম্পৰ্ক সংৰক্ষণ কৰাটোও সিমানেই আমাৰ কৰ্তব্য।

কাকডোঙা বৈ থাকক, ইয়াৰ দুয়োপাৰৰ সেউজীয়া পথাৰ সেউজীয়া হৈ থাকক, কঁহুৱাৰ ফুলে শৰৎৰ আগমণ জনাই থাকক আৰু নৈখনৰ বুকুত থলুৱা মাছৰ বিচৰণ অব্যাহত থাকক-এইয়াই হ'ব কাকডোঙা নৈৰ প্ৰতি আমাৰ প্ৰকৃত সন্মান।

**ম'বাইল ঃ ৭০০২৭-৮১৮৪১**

# হিংসাক নিয়ন্ত্ৰণ কৰাৰ উপায়

■ **হেৰম্ব নাথ**

**মা**নুহে মানুহক কিয় হিংসা কৰে? দুচকুৰ সমুখত এইটো এটা অতি স্পৰ্শকাতৰ আৰু ডাঙৰ প্ৰশ্ন। ইয়াৰ উত্তৰত আমি কি ক'ম বাৰু? নিসংকোচে এই বুলি ক'ব লাগিব যে হিংসা সমূলি মানুহৰ এটা আদিম প্ৰবৃত্তি। আমি এই প্ৰবৃত্তিটোৰ দাস কাৰণ মানুহ পশুৰেই নামান্তৰ। হয়তো, পশুৰ দৰে মানুহৰ নেজ নাই। আৰু ঘাঁহ নাখায় মানুহে। কিন্তু মানুহৰ চৰিত্ৰৰ অৰ্দ্ধাংশই পাশৱিক, যিটো মানৱ জাতিৰ পক্ষে এটা নিৰ্মম সত্য কথা। প্ৰাত্যহিক জীৱনত সংঘটিত ঘটনা-পৰিঘটনাবোৰেই উক্ত কথাৰ যথাযথ সত্যতা প্ৰমাণ কৰে। এইখিনিতে ক'ব বিচাৰিছোঁ যে মানুহৰ পাশৱিক চৰিত্ৰ সুপ্ত অৱস্থাত থাকে। সুবিধা পালেই ইয়াৰ বহিঃপ্ৰকাশ হয়। খঙক যদিও কিছুমান মানুহে Safety valve বুলি কয়, তেনেদৰে অতিমাত্ৰা খঙকো অস্বাভাৱিক তথা পশুসুলভ আচৰণ বুলিয়েই কব্লব লাগিব। যিহেতু অতিমাত্ৰা খঙৰ ফলত মানুহৰ মাজত প্ৰচণ্ড কাজিয়াৰ সৃষ্টি হয়, মানুহ মৰা-মৰি পৰ্যন্ত হয়; তেনেস্থলত খঙক পশুসুলভ চৰিত্ৰ বুলি নকৈ কি বুলি ক'ব? য'ত দুটা পক্ষই নিমিষতে হিতাহিত জ্ঞান হেৰুৱাই পেলোৱা পৰিলক্ষিত হয়। সাধাৰণতে, তেনেকুৱা ধৰণৰ বিধ্বংসী চৰিত্ৰ-লক্ষণ দেখা পোৱা যায় হিংস্ৰ পশুৰ মাজত। গতিকে মানুহ নিঃসন্দেহে পশুৰেই নামান্তৰ।

এতিয়া আলোচ্য বিষয়বস্তুলৈ আহোঁ। মানুহ মানুহৰ প্ৰতি কিয় হিংসাপৰায়ণ হৈ পৰে? ইয়াৰ উত্তৰত প্ৰত্যক্ষভাৱে কওঁ-মানুহ যেতিয়া হতাশ হৈ পৰে তেতিয়াই হিংসাপৰায়ণ হৈ পৰে ইজনে সিজনৰ প্ৰতি। উন্নয়নৰ তুলাচনীত যেতিয়া তাৰতম্য ঘটে তেতিয়াই হিংসা জাগ্ৰত হয়; গজালি মেলে হিংসা নামৰ বিষ বৃক্ষৰ বীজটোৱে। আমি পাহৰি যাওঁ নিজৰ সীমাবদ্ধতাৰ বিষয়ে। বিশ্বায়নে গোলকীকৃত কৰা আজিৰ পৃথিৱীত মানুহে যদিও টেষ্ট টিউব(Test tube)ত সন্তান জন্ম দিয়াৰ দৰে বিৰল প্ৰতিভাৰ অধিকাৰী হৈ সৃষ্টিকৰ্তাক প্ৰত্যাহ্বান জনাব পাৰিছে, তথাপি মানুহ আদিম প্ৰবৃত্তিৰ পৰা মুক্ত হ'ব পৰা নাই। যাৰ তাগিদাত মানুহ শিক্ষিত হোৱা সত্বেও ইজনে সিজনক হিংসা কৰে। হিংসাৰ কৰাল গ্ৰাসত পৰিয়েই আমি দিকবিদিগ হেৰুৱাই পেলাওঁ। উদ্বাউল হওঁ চিনাকিজনে অৰ্জা প্ৰতিভাত কালিমা সানিবলৈ। জ্বলি উঠোঁ চকুৰ সমুখত থকাজনে কৰ্মক্ষেত্ৰত অসাধাৰণ সাফল্য লাভ কৰিলে। পাকে প্ৰকাৰে দূৰত্ব বজাই চলিবলৈ ছেগ বিচাৰি ফুৰোঁ। নিজতকৈ ওপৰত থকা মানুহজনৰ কিবা এটা বেয়া দেখিলে কিন্তু উৎফুল্লিত হৈ পৰোঁ ভিতৰি ভিতৰি। জীৱন পৰিক্ৰমাত আমি আচলতে অভিনয় কৰি চলোঁ। বাধ্যবাধকতাত পৰিহে সৌজন্যতা প্ৰদৰ্শন কৰোঁ ইজনে সিজনৰ প্ৰতি। যিহেতু আমি সমাজ পাতি বাস কৰা একো একোটা সামাজিক প্ৰাণী।

সি যি নহওক, পাশৱিক চৰিত্ৰক বিনাশ কৰিব নোৱাৰিলেও আমি মনুষ্যত্ব গুণ বৰ্তাই ৰাখি মানুহৰ দৰে জীয়াই থাকিবলৈ সাধনা কৰিব লাগিব নিৰন্তৰে। প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব দৈৱিক গুণ আহৰণ কৰিবলৈ। এইখিনিতে প্ৰশ্ন উত্থাপন হয়-এয়া কেনেকৈ সম্ভৱপৰ হৈ উঠিব? ইয়াৰ প্ৰত্যুত্তৰত দৃঢ় কণ্ঠে কওঁ, আমি ধ্যান (Meditation) কৰিব লাগিব। ধ্যানেৰে সংযত কৰিব লাগিব অসন্তুষ্ট-উদ্‌ভ্ৰান্ত মনক। সেইবাবে গীতাৰ ধ্যানযোগত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে- 'বন্ধুৰাত্মাত্মনস্তস্য যেনাত্মৈৱাত্মনা জিত: অনাত্মনস্তু শত্ৰুত্বে ৱৰ্তেতাত্মৈৱ শত্ৰুৱৎ।।' অৰ্থাৎ যিজনে মনটো জয় কৰিব পাৰিছে, তেওঁৰ বাবে মনটোৱেই আটাইতকৈ ডাঙৰ বন্ধু; কিন্তু যিজনে তেনে কৰিব পৰা নাই, তেওঁৰ মনটো সদায়েই ডাঙৰ শত্ৰু হৈ ৰ'ব। ধ্যানে মানুহৰ পাশৱিক চৰিত্ৰক কিছু পৰিমাণে হ'লেও দমাই ৰাখিব পাৰে বুলি আমি বুজা উচিত। প্ৰণিধানযোগ্য যে ভাৰতীয় সংস্কৃতিৰ অন্যতম অৱদান ধ্যানে দুষ্ট জিনকো নিয়ন্ত্ৰণ কৰিব পাৰে।

সেয়ে আহক, সকলোৱে ধ্যান কৰাৰ সুঅভ্যাস গঢ়ি তোলোঁ। প্ৰতিদিনে, কিন্তু নিৰ্দিষ্ট এটা সময়ত। একান্ত প্ৰত্যয় আৰু প্ৰতীতিৰে অৱচেতন মনৰ একোণত স্থান দিওঁ ধ্যানে মানুহক উত্তৰোত্তৰ সাধনত সহায় কৰে বুলি। সময় থাকোঁতেই নিজকে Suggest কৰক ধ্যানৰ জৰিয়তে মানুহে মনুষ্যত্ব গুণ লাভ কৰিব পাৰে বুলি। মানস পটত চিত্ৰায়ন কৰক-ধ্যান অবিহনে হিংসুক চৰিত্ৰ-বাসনাক মনোজগতৰ পৰা লাঘৱ কৰিবলৈ অক্ষম বুলি।

পুনশ্চঃ ধ্যান মানৱাত্মাৰ আতুৰ প্ৰাৰ্থনা। যাৰ আৱাহনত মানুহে মানৱ বোমাৰূপী খঙক দমাই ৰাখিব পাৰে। লাভ কৰিব পাৰে এটা অনিন্দ্যসুন্দৰ জীৱন। প্ৰকৃতাৰ্থত এনে এটা জীৱনেই হ'ল- মানৱ জীৱনৰ সমুজ্বল প্ৰসিদ্ধি তথা অক্ষয় কীৰ্তি।

**ম'বাইল ঃ ৭০০২৭-৯৭৫৪০**

# প্ৰেম, প্ৰতাৰণা, মৃত্যু

■ **অৰ্ণৱ কটকী,** জাঁজী



প্ৰেমৰ দৰে এক স্বৰ্গীয় অনুভূতি লাহে লাহে যেন কলুষিত হৈ আহিছে। প্ৰেম যদি প্ৰেৰণা হয় তেনে আনজনক নিঃশেষ কৰিব পৰাটো ই কেনে ধৰণৰ প্ৰেম? প্ৰেম মানেই প্ৰাপ্তি নহয় হয়তো বহু জনেই এই কথা বুজে। প্ৰেম কৰিবলৈ এখন হৃদয় লাগে।যি ত্যাগৰ বিনিময়তো হিংসাৰ ৰূপ ল'ব নোৱাৰে তেনে এখন হৃদয়। প্ৰেমজনিত কাৰণত নিতৌ বহু জনৰ অকাল মৃত্যুৰ খবৰ বাতৰি অনিচ্ছা স্বত্বেও শুনি অহাটো আপোনাৰ মোৰ সকলোৰে জ্ঞাত।

ইয়াৰ কাৰণ কি? প্ৰেম মানেই শৰীৰৰ ভোগ নেকি?

বিশ্বাস অবিহনে সম্পৰ্ক অকল দেহৰ ভোকৰ বাবে ৰক্ষা কৰা হয় নেকি? সুলভ হোৱাটো সঁচা প্ৰেমে বিচাৰে নে?

ধন টকা ,শৰীৰ, অতি বেছি আধুনিক হ'বলৈ গৈ আমি বাৰু হেৰুৱাই আহিছোঁ নেকি সমাজৰ বান্ধোন।

এনেধৰণৰ সম্পৰ্ক এটা ৰক্ষা কৰাৰ আগতে হেজাৰ বাৰ চিন্তা কৰক সকলোৱেই। সঁচা মানুহ, নিঃস্বাৰ্থ সম্পৰ্ক পোৱা হয়তো কঠিন কিন্তু এতিয়াও এনে মানুহ হেৰাই যোৱা নাই। প্ৰেম হওঁক সৃষ্টিৰ, প্ৰেম হওঁক বিশ্বাসৰ, প্ৰেম হওঁক আদৰ যত্ন, নিভাঁজ মৰমৰ। প্ৰেম কৰিবলৈ যিদৰে সাহস লাগে মই ভাৱোঁ ত্যাগ কৰাৰ পিছত নিজক প্ৰতিষ্ঠা কৰিবলৈ তাতোকৈ বেছি সাহস লাগে হৃদয়ৰ। ত্যাগ কৰা আৰু প্ৰেম কৰা দুইটা গ্ৰহণ কৰিব পৰা সাহস ৰাখক। আখেজ বা হিংসা জন্ম হোৱা হৃদয়ত প্ৰেমৰ বাবে হয়তো স্থান নাই।

অনাগত দিনবোৰত কোনো মা-দেউতাৰ যাতে বুকু শুদা নহয় সেই কথাও প্ৰতিটো সন্তানে মৰ্মে মৰ্মে উপলব্ধি কৰক। প্ৰতিটো দিন প্ৰতিটো সম্পৰ্ক যোগাত্মক ভাৱে আগ বাঢ়ি যাওঁক সেইয়াই প্ৰতিজনৰে কাম্য।

**ম'বাইল ঃ ৬০০০৩-৬৯৭০৫**

# নগাঁও জিলা সাহিত্য সভাৰ মাহেকীয়া সাহিত্য পাঠৰ বৈঠক অনুষ্ঠিত

## ‘এমাহত এখন গ্ৰন্থ অধ্যয়ন’ৰ জৰিয়তে গ্ৰন্থপাঠৰ পৰিৱেশ গঢ়াৰ প্ৰয়াস



**বিশেষ সংবাদদাতা, নগাঁও ঃ** গ্ৰন্থপাঠৰ প্ৰতি আগ্ৰহ বৃদ্ধি আৰু সাহিত্য চৰ্চাৰ এক সুস্থ পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে নগাঁও জিলা সাহিত্য সভাৰ মাহেকীয়া সাহিত্য পাঠৰ বৈঠক উপ-সমিতিৰ উদ্যোগত অনুষ্ঠিত হৈ আহিছে মাহেকীয়া সাহিত্য পাঠৰ বৈঠক। প্ৰতি মাহৰ প্ৰথম দেওবাৰে অনুষ্ঠিত হোৱা এই বৈঠকৰ লগতে ‘এমাহত এখন গ্ৰন্থ অধ্যয়ন’ শীৰ্ষক বিশেষ কাৰ্যসূচীও ৰূপায়ণ কৰি অহা হৈছে। এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ৪ অক্টোবৰ, দেওবাৰে নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী তোডী স্মৃতি ভৱনত মাহেকীয়া সাহিত্য পাঠৰ বৈঠক অনুষ্ঠিত হয়। বৈঠক উপ-সমিতিৰ উপ-সভাপতি কমল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখন সঞ্চালনা কৰে কবি ছহিদুল ইছলামে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বৈঠক উপ-সমিতিৰ সম্পাদক জিতেন শৰ্মাই। সভাত বিগত মাহৰ মাহেকীয়া সাহিত্য পাঠৰ বৈঠকৰ সমীক্ষা আগবঢ়ায় কবি মনোজ কুমাৰ শৰ্মাই। ‘এমাহত এখন গ্ৰন্থ অধ্যয়ন’ কাৰ্যসূচীৰ অধীনত লেখিকা উপমা মজুমদাৰে সাহিত্যাচাৰ্য মহিম বৰাৰ উপন্যাস ‘এধানি মাহীৰ হাঁহি’ৰ অন্তৰ্নিহিত ভাব, বিষয়বস্তু আৰু সাহিত্যিক তাৎপৰ্য সম্পৰ্কে এক সাৰগৰ্ভিত আলোচনা আগবঢ়ায়। আনহাতে, লেখক-সাংবাদিক দেৱজিৎ হাজৰিকাই বিশিষ্ট সাহিত্যিক ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ ‘জীৱন বৃত্ত’ গ্ৰন্থখনৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰি গ্ৰন্থখনৰ বিষয়বস্তু আৰু সাহিত্যিক মূল্য সম্পৰ্কে আলোচনা কৰে। সভাত সাংবাদিক কনক হাজৰিকাৰ লগতে লেখক-কবি মধু চৌধুৰী, ডাঃ চিন্তামণি হাজৰিকা, বিচিত্ৰ নাৰায়ণ বৰা, অশোকৰাম ভট্টাচাৰ্য, চিনু কাকতি শইকীয়া, অৰূপ কুমাৰ গোস্বামী, জয়ন্তী বৰা, নিজৰা শইকীয়া, বেলা মোডী, ৰূপা শইকীয়া, হাইছউদ্দিন, হিতেশ্বৰ ডেকা আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে বিগত মাহৰ মাহেকীয়া সাহিত্য পাঠৰ বৈঠকত পাঠ কৰা কবিতা, গল্প আদি সৃষ্টিৰ ভিতৰত স্থান লাভ কৰা তিনিগৰাকী প্ৰতিযোগীক সভাত বঁটা প্ৰদান কৰা হয়। এই প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে মিনতি গোস্বামীয়ে, দ্বিতীয় স্থান লাভ কৰে মুকিবুৰ ৰহমানে আৰু তৃতীয় স্থান লাভ কৰে ড° প্ৰদীপ কুমাৰ শইকীয়াই। নগাঁও জিলা সাহিত্য সভাৰ এনে নিয়মীয়া সাহিত্য পাঠৰ বৈঠক আৰু ‘এমাহত এখন গ্ৰন্থ অধ্যয়ন’ কাৰ্যসূচীয়ে গ্ৰন্থপাঠৰ অভ্যাস গঢ়ি তোলাৰ লগতে সাহিত্য অনুৰাগীসকলৰ মাজত সুস্থ আলোচনা আৰু মত-বিনিময়ৰ এক ইতিবাচক পৰিৱেশ সৃষ্টি কৰিছে।

# উশৃংখল যুৱ মানসিকতা আৰু সামাজিক প্ৰমূল্যবোধৰ অৱক্ষয়

■ **অৰুণা ধৰ বৈষ্ণৱ**

**ব**ৰ্তমান সময়ত আমাৰ সমাজৰ এক জটিল আৰু চিন্তনীয় বিষয় হৈ পৰিছে যুৱ প্ৰজন্মৰ মানসিকতা। প্ৰযুক্তিৰ দ্ৰুত উৎকৰ্ষ আৰু বিশ্বায়নৰ প্ৰভাৱত সমাজৰ পৰম্পৰাগত নীতি-নিয়ম তথা নৈতিকতাৰ ক্ষেত্ৰত এক বিৰূপ পৰিৱৰ্তন পৰিলক্ষিত হৈছে। আজিকালিৰ ল'ৰা-ছোৱালীৰ আচৰণ, সাজ-পোছাক আৰু চিন্তাধাৰাত যি ধৰণৰ প্ৰকাশ দেখা যায়, সেয়া বহুতৰ বাবে তথা সচেতন মহলৰ বাবে উদ্বেগৰ কাৰণ হৈ পৰিছে। পিতৃ-মাতৃ, জ্যেষ্ঠজন আৰু শিক্ষকৰ প্ৰতি থকা পূৰ্বৰ শ্ৰদ্ধা আৰু মৰ্যাদাৰ স্থানত যেন এক ধৰণৰ অৱহেলা বা তুচ্ছজ্ঞান কৰা মানসিকতাই দেখা দিছে।

প্ৰথমতে, আমি সামাজিক প্ৰমূল্যবোধৰ কথা ক'ব লাগিব। এটা সময়ত আমাৰ সমাজত গুৰু-ভক্তি আৰু জ্যেষ্ঠজনক সন্মান প্ৰদৰ্শন কৰাটো এটা অলিখিত নিয়ম আছিল। কিন্তু আজিকালি বহু ল'ৰা-ছোৱালীয়ে ঘৰুৱা উপদেশ বা অনুশাসনক কেৱল নিজৰ ব্যক্তিগত স্বাধীনতাৰ ওপৰত হস্তক্ষেপ বুলি গণ্য কৰে। তেওঁলোকে নিজৰ স্বতন্ত্ৰতাক ইমানেই গুৰুত্ব দিয়ে যে, অভিজ্ঞ জ্যেষ্ঠৰ পৰামৰ্শক বহু সময়ত উপেক্ষা কৰে। ফলত পৰিয়ালৰ ভিতৰত প্ৰজন্মৰ মাজত এক অদৃশ্য দূৰত্ব সৃষ্টি হৈছে, যিটো আমাৰ সামূহিক সামাজিক গাঁথনিৰ বাবে শুভ লক্ষণ নহয়।

পোচাক আৰু মানসিকতাৰ এই প্ৰসংগত আমি গভীৰভাৱে চিন্তা কৰিব পাৰোঁ। পোচাক কেৱল শৰীৰ ঢাকি ৰখা আৱৰণ নহয়, ই ব্যক্তিত্বৰ দৰ্পণ। যেনেকৈ এগৰাকী উকীলৰ বাবে ক'লা কোটটোৱে তেওঁক ন্যায়ৰ প্ৰতিনিধি কৰি তোলে বা এজন আৰক্ষীৰ বাবে ইউনিফৰ্মটোৱে তেওঁক আইন ৰক্ষকৰ দায়িত্ববোধ দিয়ে, ঠিক তেনেকৈ প্ৰতিটো সাজৰ এক মানসিক প্ৰভাৱ থাকে। আজিৰ যুৱ প্ৰজন্মই ফটা জিনছ, কাণত কাণফুলি বা আউলী-বাউলী চুলিৰ যি ষ্টাইল অৱলম্বন কৰিছে, সেয়া তেওঁলোকৰ বাবে আধুনিকতা হ'ব পাৰে। কিন্তু পোচাকে মানুহৰ আচৰণক নিয়ন্ত্ৰণ কৰে বুলি আমি বিশ্বাস কৰোঁ। যেতিয়া কোনোবাই অসংযত সাজ-পোছাক গ্ৰহণ কৰে, তেতিয়া তেওঁৰ মানসিকতাতো তাৰ প্ৰভাৱ পৰা দেখা যায়। বিপৰীতে, আমাৰ অসমৰ জাতীয় উৎসৱসমূহত যেতিয়া আমি আমাৰ জাতীয় সাজ-পাৰ পিন্ধোঁ, তেতিয়া মনত এক অনন্য গৌৰৱ আৰু অনুশাসনৰ সৃষ্টি হয়। সেই পোচাকে আমাক আমাৰ শিপা আৰু ঐতিহ্যৰ লগত সংযোগ কৰে।

এয়া এক বাস্তৱ সত্য যে, আমি কি পিন্ধোঁ, তাৰ ওপৰত বহুলাংশে নিৰ্ভৰ কৰে আমি কেনেধৰণৰ আচৰণ কৰিম। উদাহৰণস্বৰূপে, এজন ছাত্ৰই যদি স্কুলৰ ইউনিফৰ্ম পিন্ধি থাকে, তেন্তে সেই পোচাকযোৰে তেওঁক পঢ়া-শুনা আৰু অনুশাসনৰ কথা সোঁৱৰাই দিয়ে। কিন্তু একেজন ছাত্ৰই যদি অত্যাধিক জিলিকি থকা বা অসংযত সাজ-পাৰ পিন্ধি সামাজিক অনুষ্ঠান বা জনবহুল স্থানত ঘূৰি ফুৰে, তেন্তে তেওঁৰ মানসিকতাৰ পৰিৱৰ্তন ঘটাটো স্বাভাৱিক। পোচাকৰ জৰিয়তে নিজক প্ৰদৰ্শন কৰাৰ প্ৰৱণতাই তেওঁলোকক পৰম্পৰাগত শিষ্টাচাৰৰ পৰা আঁতৰাই আনে।

এই মানসিকতাৰ আঁৰত কি কি কাৰণ থাকিব পাৰে? প্ৰধান কাৰণ হ'ল পৰিয়ালৰ পৰা পোৱা নৈতিক শিক্ষাৰ অভাৱ আৰু ডিজিটেল মাধ্যমৰ প্ৰভাৱ। আজিৰ ল'ৰা-ছোৱালীৰ হাতত স্মাৰ্টফোন আছে। তেওঁলোকে বিশ্বৰ যিকোনো প্ৰান্তৰ চেলিব্ৰিটিক অনুসৰণ কৰে। সেইবোৰৰ অন্ধ অনুকৰণে তেওঁলোকক বাস্তৱ জীৱনৰ পৰা আঁতৰাই নিয়া যেন লাগে। আনহাতে, পিতৃ-মাতৃয়ে নিজৰ ব্যস্ত জীৱনৰ বাবে সন্তানৰ ওপৰত দিবলগীয়া সময়খিনি কমাই পেলোৱাৰ ফলত সন্তানৰ মানসিক গঠনত প্ৰভাৱ পৰিছে।

অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে সকলো যুৱ প্ৰজন্মই এনেকুৱা। এতিয়াও বহু ল'ৰা-ছোৱালী আছে যিয়ে নিজৰ সংস্কৃতি আৰু পৰম্পৰাক আজিও মানি চলিছে। সমাজৰ পৰিৱৰ্তন এক স্বাভাৱিক প্ৰক্ৰিয়া। আমি কেৱল বাহ্যিক ৰূপ বা আধুনিকতাক সমালোচনা কৰিলে নহ'ব। আচল প্ৰয়োজন হ'ল তেওঁলোকৰ সৈতে সুস্থ আলোচনা কৰা। আমাৰ দায়িত্ব হ'ল তেওঁলোকক এই কথা বুজোৱা যে আধুনিক হোৱাৰ অৰ্থ নিজৰ শিপাক পাহৰি যোৱা নহয়।

সামৰণিত ক'ব পাৰি যে, যুৱ প্ৰজন্মই আমাৰ সমাজৰ ভৱিষ্যতৰ চালিকা শক্তি। তেওঁলোকক সঠিক দিশত পৰিচালিত কৰাটো কেৱল পিতৃ-মাতৃ বা শিক্ষকৰ দায়িত্ব নহয়, ই আমাৰ সমগ্ৰ সমাজৰ এক সন্মিলিত দায়িত্ব। ধৈৰ্য আৰু মৰমেৰে তেওঁলোকক বুজাই ক'লে নিশ্চয়কৈ এই বিপথগামী প্ৰৱণতা হ্ৰাস পাব। যিদৰে সঠিক পোচাকে মানুহৰ ব্যক্তিত্বক মহীয়ান কৰে, তেনেদৰে সঠিক শিক্ষাই যুৱ প্ৰজন্মক আদৰ্শৱান কৰি তুলিব। এখন সুন্দৰ সমাজ গঢ়িবলৈ হ'লে নৱ প্ৰজন্মৰ শক্তি আৰু আমাৰ ঐতিহ্যৰ সমন্বয় অতি প্ৰয়োজন।

# ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ কাৰ্যভাৰ গ্ৰহণ আৰু প্ৰথম কাৰ্যনিৰ্বাহক সভা সম্পন্ন

## সাংবাদিকৰ কল্যাণ ন্যাস গঠন



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ অন্তৰ্গত ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ কাৰ্যভাৰ গ্ৰহণ আৰু প্ৰথম কাৰ্যনিৰ্বাহক সভা জি পি এম শ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ সভাপতি ৰাতুল চন্দ্ৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনৰ আঁত ধৰে সম্পাদক ত্ৰিদীপ কলিতাই ।উক্ত সভাত উপস্থিত থাকে ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ উপদেষ্টা তথা জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰ, প্ৰতিবিম্ব লাইভৰ পৰিচালন সঞ্চালক তফিক উদ্দিন আহমেদ, জ্যেষ্ঠ সাংবাদিক যোগেশ মজুমদাৰ ,ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি হামিদ আলী, জগত তালুকদাৰ, উপ-সভাপতি তপন দাস, যুটীয়া সম্পাদক ত্ৰিদীপ কলিতা, দ্বিজেন ডেকা, সহকাৰী সম্পাদক কৈলাস ডেকা, ৰবীন্দ্ৰ নাথ কলিতাকে ধৰি ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ সাংবাদিক সকল উপস্থিত থাকে। উক্ত সভাত অতিথি হিচাপে উপস্থিত থাকে ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰানা ভূঁঞা। সভাত ভাষণ প্ৰসংগত জ্যেষ্ঠ সাংবাদিক তফিক উদ্দিন আহমেদে সাংবাদিক বিশেষকৈ ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ অন্তৰ্গত সাংবাদিক সকলৰ সুবিধাৰ্থে এটি ন্যাস গঠন কৰাৰ বাবে আহ্বান জনায়। লগতে সাংবাদিকসকলক নিষ্ঠা আৰু সততাৰে নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰি যাবলৈ আহ্বান জনায়। আনহাতে জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰেও সাংবাদিক সকলক নিৰ্ভিকতাৰে সংবাদ সেৱা কৰি যাবলৈ আহ্বান জনায়। ইয়াৰ লগতে ভাষণ প্ৰসংগত জ্যেষ্ঠ সাংবাদিক যোগেশ মজুমদাৰে সংবাদিক সকলক সদাই ৰাইজৰ লগত থাকি আগবাঢ়িবলৈ আহ্বান জনায়। ৰাইজৰ পক্ষত থাকি আগবাঢ়ি গ'লেহে সংবাদ মাধ্যমক ৰাইজে সদায়ে আস্থা আৰু বিশ্বাসত ল'ব বুলি মত ব্যক্ত কৰে। ইয়াৰ পাছত অন্যান্য বক্তা সকলে সমাজ আৰু সাংবাদিকৰ ভূমিকা আৰু দায়িত্ব সন্দৰ্ভত সুন্দৰ মন্তব্য আগবঢ়ায়। আনহাতে সভাত ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ যি সকল সাংবাদিক কায়িকভাৱে নোহোৱা হ'ল তেওঁলোকৰৰ নামত বঁটা প্ৰদানৰ কথাও চিন্তা চৰ্চা কৰে।

# চাংচাৰিত ‘বিকশিত ভাৰত সংকল্প সভা’ আৰু ‘সেৱা জ্যোতি কলহ যাত্ৰা’ কাৰ্যসূচী সম্পন্ন



**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০০১ চনৰ পৰা আৰম্ভ হোৱা ২৫ বছৰীয়া গৌৰৱময় জনসেৱাৰ যাত্ৰাৰ সন্মানাৰ্থে বিকশিত অসমৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ সংকল্পেৰে ৭ অক্টোবৰত চাংসাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত ‘বিকশিত ভাৰত সংকল্প সভা’ আৰু ‘সেৱা জ্যোতি কলহ যাত্ৰা’ কাৰ্যসূচী সম্পন্ন হয়। ২৫ বছৰৰ এই দীঘলীয়া জনসেৱাৰ যাত্ৰাত দেশৰ উন্নয়ন, জনকল্যাণ আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ অটুট দায়বদ্ধতা দেশবাসীৰ বাবে এক প্ৰেৰণাদায়ক অধ্যায়। তেখেতৰ দূৰদৰ্শী নেতৃত্ব আৰু ‘বিকশিত ভাৰত’ গঢ়াৰ সংকল্পই দেশৰ উন্নয়নী যাত্ৰাক এক নতুন গতি প্ৰদান কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত অসম চৰকাৰেও ৰাজ্যখনৰ উন্নয়ন আৰু জনসেৱাৰ ক্ষেত্ৰত দৃঢ়তাৰে মনোনিৱেশ কৰি আহিছে। তেখেতৰ নেতৃত্বত অসমৰ বিকাশ ৰেখা উৰ্ধমুখী হৈছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ সেৱা, সংকল্প আৰু সমৰ্পণৰ আদৰ্শৰে এখন বিকশিত ভাৰত আৰু বিকশিত অসমৰ নিৰ্মাণৰ ক্ষেত্ৰত পূৰ্ণ সক্ৰিয়তাৰে অৱদান আগবঢ়াবলৈ সংকল্পবদ্ধ। কাৰ্যসূচীত ৰঙিয়া বিধানসভা সমষ্টিৰ বিধায়ক ভৱেশ কলিতা ডাঙৰীয়া, কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক শ্ৰীদিগন্ত কলিতা, পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য ডাঙৰীয়া, বকো সমষ্টিৰ মাননীয় বিধায়ক ৰাজু মেচ ডাঙৰীয়া, ভাৰতীয় জনতা পাৰ্টি উত্তৰ কামৰূপ জিলাৰ মাননীয় সভাপতি ভাস্কৰ কলিতা ডাঙৰীয়া, দক্ষিণ কামৰূপ জিলাৰ মাননীয় সভাপতি অঞ্জন গোস্বামী ডাঙৰীয়া, প্ৰভাৰী শ্ৰীপ্ৰণৱ জ্যোতি লহকৰ ডাঙৰীয়া, সহঃ প্ৰভাৰী অনুপ কুমাৰ মেধি ডাঙৰীয়া সমন্বিতে দলীয় কৰ্মীসকল আৰু ৰাইজ উপস্থিত আছিল।

# নগাঁৱৰ জনপ্ৰিয় গীতিকাৰ ধৰ্মপ্ৰসাদ গোস্বামীৰ সৈতে এক অন্তৰংগ আলাপ



■ **গীতিকাৰ হিচাপে আপোনাৰ আত্মপ্ৰকাশ কেতিয়া হৈছিল ?**

**ধৰ্মপ্ৰসাদ গোস্বামী ঃ** ১৯৮০ চনৰ পৰাই মই গীত লিখা আৰম্ভ কৰিছোঁ। 'এজাক পখিলী উৰি উৰি যায়' বুলি এটা গীত প্ৰথমতে মই লিখিছিলোঁ। প্ৰাক্তন বিধায়ক গীৰিন্দ্ৰ কুমাৰ বৰুৱাই নেহৰুবালী পাৰ্কখন Opening কৰাৰ সময়ত মোক মাতি আনি এটা গীত লিখাইছিল। সেই গীতটো মই লিখি সুৰ কৰি ২৫ টা মান ল'ৰা-ছোৱালীৰ হতুৱাই গোৱাইছিলোঁ।

■ **আপোনাৰ শিক্ষা-দীক্ষা আৰু পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন ?**

**ধৰ্মপ্ৰসাদ গোস্বামী ঃ** মোৰ দেউতাৰ নাম স্বৰ্গীয় যোগেশ্বৰ গোস্বামী আৰু মাৰ নাম স্বৰ্গীয় কিৰণবালা গোস্বামী। ১৯৭৯ চনত মই বি. এ পাছ কৰিছিলোঁ।

■ **সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে ?**

**ধৰ্মপ্ৰসাদ গোস্বামী ঃ** নতুন প্ৰজন্ম শিক্ষা-দীক্ষাত আগবাঢ়ি গ'লেও ড্ৰাগছ আসক্ত হৈ নতুন প্ৰজন্ম যথেষ্ট বিশৃংখল হৈ পৰিছে।

■ **আপোনাৰ অসাধাৰণ গীত লিখা প্ৰতিভাৰ বাদে সাহিত্য, ক্ৰীড়া বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি ?**

**ধৰ্মপ্ৰসাদ গোস্বামী ঃ** মই Star Sporting Club ৰ প্ৰতিষ্ঠাতা প্ৰদীপ হাজৰিকাৰ নেতৃত্বত ফুটবল খেলিছিলোঁ। ফুটবলত অলপ ৰাপ আছে আৰু হকীৰ সভাপতি তপন কুমাৰ দাসৰ নেতৃত্বত হকী খেলিছিলোঁ। নগাঁও চৰকাৰী বালক বিদ্যালয়ত পঢ়ি থাকোঁতে বেডমিণ্টন খেলি চেম্পিয়ন হৈছিলোঁ।

■ **অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি ?**

**ধৰ্মপ্ৰসাদ গোস্বামী ঃ** শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিক আগবঢ়াব নোৱাৰে। কৃষিকৰ্ম আদিৰ দ্বাৰা এটা জাতিক আগবঢ়ায় নিব লাগিব অৰ্থাৎ কৰ্ম সংস্কৃতিৰ দ্বাৰা এটা জাতি আগবাঢ়ি যাব লাগিব।

■ **আপোনাৰ প্ৰিয় খাদ্য ?**

**ধৰ্মপ্ৰসাদ গোস্বামী ঃ** প্ৰিয় খাদ্য মাছ।

■ **আপোনাৰ প্ৰিয় ৰং ?**

**ধৰ্মপ্ৰসাদ গোস্বামী ঃ** বগা আৰু পাতল নীলা ৰঙ মোৰ ভাল লাগে।

■ **আপোনাৰ আদৰ্শ ব্যক্তি ?**

**ধৰ্মপ্ৰসাদ গোস্বামী ঃ** আদৰ্শ ব্যক্তি ঈশ্বৰপুত্ৰ জুবিন গাৰ্গ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, স্বৰ্গীয় জয়ন্ত হাজৰিকা আৰু সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা।

■ **জীৱন সম্পৰ্কে আপোনাৰ অভিমত ?**

**ধৰ্মপ্ৰসাদ গোস্বামী ঃ** জীৱনটো যাতে সুন্দৰকৈ পাৰ কৰিব পাৰো সেয়াই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# ডিব্ৰুগড়ৰ সত্ৰীয়া সংগীত বিদ্যালয়ৰ ৰূপালী জয়ন্তীবৰ্ষ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** বিগত ২০০১ চনত স্থাপিত হোৱা আৰু ইতিমধ্যে ২৫ টা বসন্ত গৰকা ডিব্ৰুগড়ৰ সত্ৰীয়া সংগীত বিদ্যালয়ে চলিত বৰ্ষত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অহা ৩১ অক্টোবৰ, ১ আৰু ২ নৱেম্বৰ তাৰিখে ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলাইছে। ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ অংশস্বৰূপে সদৌ অসম ভিত্তিত গীত-বাদ্য-নৃত্য (বৰগীত, (খোলবাদ্য, সত্ৰীয়া নৃত্য)ৰ এখনি প্ৰতিযোগিতাও আয়োজন কৰা হৈছে। প্ৰতিযোগিতা সমূহ 'ক' আৰু 'খ' দুটা শাখাত অনুষ্ঠিত হ'ব। 'ক' শাখাৰ প্ৰতিযোগীৰ বয়স ১১ পৰা ১৫ বছৰ আৰু 'খ' শাখাৰ ১৬ৰ পৰা ২৫ বছৰ। বিজয়ী প্ৰতিযোগীসকলক মানপত্ৰ, গ্ৰন্থৰ টোপোলা সহিতে নগদ ধনৰে পুৰস্কিত কৰা হ'ব। কাৰ্যসূচী অন্তিম দিনা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° জিতেন হাজৰিকাই। উক্ত অনুষ্ঠানতে সংগীত নাটক একাডেমি বঁটাপ্ৰাপক মাজুলীৰ মূল কমলাবাৰী সত্ৰৰ টংকেশ্বৰ হাজৰিকাক সম্বৰ্ধনা জনোৱা হ'ব। সত্ৰীয়া সংগীত বিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমান শিক্ষাৰত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সমূহীয়া বৰগীত, গায়ন-বায়ন পৰিৱেশন কৰাৰ উপৰিও গুৱাহাটী, যোৰহাট আৰু দুলীয়াজানৰ কেইবাগৰাকীও বিশিষ্ট সত্ৰীয়া শিল্পীয়ে সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ জীপাল কৰি তুলিব বুলি বিদ্যালয়খনৰ অধ্যক্ষ ক্ষীৰেশ্বৰ হাজৰিকা আৰু উদ্‌যাপন সমিতিৰ প্ৰচাৰ সম্পাদকদ্বয় ভূৱন জ্যোতি বৰুৱা আৰু প্ৰশান্ত শইকীয়াই জানিবলৈ দিছে। ৰূপালী জয়ন্তী উদ্‌যাপনৰ সকলো প্ৰস্তুতি নিয়াৰিকৈ চলাই নিবৰ বাবে জীৱন জ্যোতি দুৱৰাক সভাপতি আৰু উপেন দাসক সম্পাদক ৰূপে লৈ ইতিমধ্যে এখন শক্তিশালী আয়োজক সমিতিও গঠন কৰা হৈছে। অহা ১ নৱেম্বৰৰ সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পুনৰ মিলন সমাৰোহত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি থাকিব বাবে উদ্যোক্তাসকলে কামনা কৰাৰ লগতে ৰূপালী জয়ন্তী অনুষ্ঠানৰ যিকোনো বিশদ তথ্যৰ বাবে ৮৭২১৮৮৬৭৪০, ৯৯৫৭৩১২৪৮৫, ৯৯৫৪৬৪২৮৭৯ মোবাইল নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।




# শিৱসাগৰ জিলাত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ 'অংগন মিলন সেৱা' কাৰ্যসূচী



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত তথা শিৱসাগৰ গ্ৰাম্য সংহত শিশু উন্নয়ন প্ৰকল্পৰ সহযোগত যোৱা ৪ অক্টোবৰত ঢেকেৰী আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ, পলশনী আদৰ্শ অংগনবাড়ী কেন্দ্ৰ আৰু ১নং কোঁৱৰ গাঁও অংগনবাড়ী কেন্দ্ৰত জনকল্যাণমূলক পদক্ষেপ হিচাপে 'অংগন মিলন সেৱা' কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, শিৱসাগৰ ৰাজহ চক্ৰ বিষয়া (সংলগ্ন) ইণ্ডিকা গগৈ আৰু সহকাৰী আয়ুক্ত অন্বেষা ঠাকুৰ মুখ্য অতিথি হিচাপে উপস্থিত থকা অনুষ্ঠানত শিশু উন্নয়ন প্ৰকল্প বিষয়া, মুখ্য সেৱিকা, পৰিসংখ্যক সহায়কৰ লগতে শিশু, অভিভাৱক, অংগনৱাড়ী কৰ্মী-সহায়িকা আৰু স্থানীয় ৰাইজৰ বিপুল অংশগ্ৰহণেৰে সম্পন্ন হোৱা এই বিশেষ সভাত সমাজ সেৱাত নিৰন্তৰ বৰঙণি আগবঢ়াই অহা অংগনৱাড়ীকৰ্মী আৰু সহায়িকাসকলক অসম চৰকাৰৰ তৰফৰ পৰা প্ৰদান কৰা চেক আৰু প্ৰশংসা পত্ৰৰে আনুষ্ঠানিকভাৱে সন্মান জনোৱা হয়। শিৱসাগৰ গ্ৰাম্য সংহত শিশু উন্নয়ন প্ৰকল্পৰ সু-সমন্বিত প্ৰয়াস আৰু স্থানীয় ৰাইজৰ সক্ৰিয় সহযোগিতাত অনুষ্ঠিত এই 'অংগন মিলন সেৱা'ই তৃণমূল পৰ্যায়ত শিশু বিকাশ আৰু সামাজিক সজাগতা বৃদ্ধিত এক বিশেষ মাত্ৰা প্ৰদান কৰিব বুলি জিলা প্ৰশাসনে আশা প্ৰকাশ কৰিছে।

# নৱম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষ্যে শিৱসাগৰ নগৰত জিলা ভিত্তিত ৰন্ধন প্ৰতিযোগিতা



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ কালীপ্ৰসাদ মেমৰিয়েল হলত নৱম ৰাষ্ট্ৰীয় পোষণ মাহ-২০২৬ উপলক্ষে যোৱা ৫ অক্টোবৰ, ২০২৬ তাৰিখে শিৱসাগৰ জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অন্তৰ্গত 'সংকল্প ঃ মহিলা সৱলীকৰণ কেন্দ্ৰৰ বেটী বচাও বেটী পঢ়াও আঁচনিৰ উদ্যোগত আৰু পোষণ অভিযানৰ সহযোগত জিলা ভিত্তিত ৰন্ধন প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানতে পোষণ মাহ সম্পৰ্কীয় কুইজ, স্বাস্থ্যৱান শিশুক প্ৰমাণ-পত্ৰ প্ৰদান, পাৰদৰ্শিতাৰ ভিত্তিত জিলাভিত্তিত গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত এগৰাকী অংগনবাড়ী কৰ্মী পুৰ্ণীমালা দাস আৰু আমগুৰি সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ সহায়িকা মাধৱী উজাক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত জিলা আয়ুক্ত মৃদুল য়াদৱৰ লগতে ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া, সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াসকল, শিৱসাগৰ জিলা এছডিএমঅ', বিচাৰক হিচাপে উপস্থিত থাকে শিৱসাগৰ খাদ্য সুৰক্ষা বিষয়া ময়ুৰাক্ষী গগৈ আৰু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা ড° চায়েদা নিশ্চাদ ফিৰদোজী। তাৰোপৰি, ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে অনুষ্ঠিত হোৱা সভাত নলবাৰী জিলাৰ গ্ৰাম্য বিকাশ মঞ্চৰ তৰফৰ পৰা চাইল্ড এইড নেটৱৰ্ক (Child aid Network) -ৰ অৰ্থ সাহায্যত, বানপানীত ক্ষতিগ্ৰস্ত হোৱা ১৫ টা অংগনবাড়ী কেন্দ্ৰক শিক্ষণ সামগ্ৰী (TLM) বিতৰণ কৰা হয়। উল্লেখ্য যে, শিৱসাগৰ জিলাৰ মুঠ ৩৫০ টা অংগনবাড়ী কেন্দ্ৰত এই সামগ্ৰীসমূহ পৰৱৰ্তী পৰ্যায়ত বিতৰণ কৰা হ'ব। ৰন্ধন প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ধনৰ সৈতে একোখনকৈ প্ৰমাণ পত্ৰ লাভ কৰে আমগুৰি সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়, দ্বিতীয় শিৱসাগৰ নগৰীয়া সংহত শিশু উন্নয়ন প্ৰকল্প আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্পয়ে। সভাখনত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অন্তৰ্গত মুখ্য সেৱিকা, অংগনবাড়ীকৰ্মী, সহায়িকা, অভিভাৱক, ইউনিচেফ, অসমৰ বিষয়া, কিশোৰী গোটৰ সৈতে সমাজ কল্যাণ বিভাগৰ সকলো বিষয়া কৰ্মচাৰী উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

# পথ দুৰ্ঘটনা ৰোধত সজাগতাৰ প্ৰয়োজন

■ **প্ৰেম বৈষ্ণৱ,** বিহালী

**প**থ সুৰক্ষা বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ আৰু উদ্বেগজনক সামাজিক সমস্যা হিচাপে থিয় দিছে। দ্ৰুতগতিত বৃদ্ধি পোৱা জনসংখ্যা, নগৰীকৰণ আৰু আধুনিক জীৱনশৈলীৰ বাবে পথত বাহনৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। ইয়াৰ ফলত প্ৰতিদিনে পথ দুৰ্ঘটনাৰ মাত্ৰাও ভয়ংকৰভাৱে বাঢ়ি আহিছে। পথ সুৰক্ষা মানে কেৱল যান-বাহনৰ নিয়ম মানি চলাৰ লগতে আমাৰ জীৱন ৰক্ষাৰ এক সচেতন আৰু দায়িত্বশীল প্ৰচেষ্টা। প্ৰতিটো দুৰ্ঘটনাৰ আঁৰত কোনোবা নহয় কোনোবা ব্যক্তিৰ অসাৱধানতা, অজ্ঞতা অথবা যান-বাহনৰ নিয়ম ভংগ কৰাৰ প্ৰৱণতা জড়িত হৈ থাকে। সেয়েহে, পথ সুৰক্ষাৰ প্ৰয়োজনীয়তা আজিৰ সমাজত অপৰিহাৰ্য হৈ পৰিছে।

পথ দুৰ্ঘটনাৰ মূল কাৰণসমূহ বিশ্লেষণ কৰিলে কেইটামান দিশ অতি স্পষ্টভাৱে ধৰা পৰে। ইয়াৰ ভিতৰত প্ৰধানকৈ চাব পাৰি চালকৰ অসাৱধানতা, নিচাযুক্ত অৱস্থাত বাহন চলোৱা, দ্ৰুত গতি, ম'বাইল ফোনৰ অপব্যৱহাৰ আৰু পথৰ দুৰৱস্থা। আমাৰ বহু চালকে ট্ৰেফিক সংকেত বা নিয়মসমূহক সামান্য বুলি গণ্য কৰি অৱহেলা কৰে। হেলমেট বা চিট বেল্টৰ ব্যৱহাৰক কেৱল আৰক্ষীৰ ভয়ত কৰা এক বাধ্যতামূলক কাম বুলি ভাবে। কিন্তু বাস্তৱত এই সুৰক্ষা কবচসমূহে দুৰ্ঘটনাৰ সময়ত মানুহৰ প্ৰাণ ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিশেষকৈ আমাৰ যুৱ প্ৰজন্মৰ মাজত দ্ৰুত গতিৰে বাইক চলোৱাৰ এক অস্বাস্থ্যকৰ প্ৰতিযোগিতা দেখা যায়, যিটো অতি বিপদজনক। এই ধৰণৰ মানসিকতাই কেৱল তেওঁলোকৰ জীৱনৰ বিপত্তি নমাই অনাৰ লগতে তেওঁলোকৰ পৰিয়ালৰ ওপৰতো গভীৰ শোকৰ ছাঁ পেলায়।

যান-বাহন আইনসমূহ কেৱল কাগজত সীমাবদ্ধ নাৰাখি তাৰ কাৰ্যকৰী প্ৰয়োগ কৰাটো প্ৰশাসনৰ দায়িত্ব। কিন্তু ইয়াৰ সমান্তৰালভাৱে সচেতন নাগৰিক হিচাপে আমাৰো নৈতিক দায়বদ্ধতা আছে। পথ সুৰক্ষাৰ প্ৰতি সজাগতা সৃষ্টি কৰিবলৈ বিদ্যালয় পৰ্যায়ৰ পৰাই ছাত্ৰ-ছাত্ৰীক যান-বাহনৰ নিয়মসমূহৰ বিষয়ে বিস্তৃত শিক্ষা প্ৰদান কৰা উচিত। কেৱল পাঠ্যপুথিত সীমাবদ্ধ নাৰাখি ব্যৱহাৰিক জ্ঞানৰ ওপৰত জোৰ দিব লাগে। লগতে পথৰ গুণমান উন্নত কৰা, সঠিক চিহ্নৰ ব্যৱস্থা কৰা আৰু ট্ৰেফিক আৰক্ষীৰ সক্ৰিয়তা বৃদ্ধি কৰাটো অত্যন্ত প্ৰয়োজন।

নিচাযুক্ত অৱস্থাত বাহন চলোৱা কাৰ্যটো হৈছে এক গৰিহণাযোগ্য অপৰাধমূলক প্ৰৱণতা। নিচাযুক্ত দ্ৰব্যৰ সেৱনৰ ফলত চালকৰ দৃষ্টিশক্তি আৰু সিদ্ধান্ত লোৱাৰ ক্ষমতা হ্ৰাস কৰে, যাৰ পৰিণতিত দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা বহুগুণে বৃদ্ধি পায়। আমি সকলোৱে বুজি পাব লাগে যে পথটো কেৱল আমাৰ ব্যক্তিগত ব্যৱহাৰৰ বাবে নহয়, ই সকলোৰে বাবে। সেয়েহে আনৰ জীৱনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো এগৰাকী সচেতন চালকৰ প্ৰাথমিক কৰ্তব্য। পথৰ নিয়ম উলংঘা কৰাৰ ফলত যি ক্ষয়-ক্ষতি হয়, তাৰ পৰিমাণ আৰ্থিক দিশৰ লগতে মানুহৰ আৱেগিক দিশতো প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। দুৰ্ঘটনাৰ ফলত হোৱা অকাল মৃত্যুৱে এটা পৰিয়ালৰ স্বপ্ন, আশা... ধূলিসাৎ কৰি পেলায়।

পথ নিৰ্মাণৰ ক্ষেত্ৰত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰাটো অতি জৰুৰী। পথত থকা বিপজ্জনক ভাঁজসমূহ চিনাক্ত কৰি তাৰ মেৰামতি কৰা, ৰাতিৰ বাবে পৰ্যাপ্ত লাইটৰ ব্যৱস্থা কৰা আৰু পথৰ দাঁতিত থকা অৱৰোধসমূহ আঁৰ কৰাটো চৰকাৰৰ প্ৰাথমিক কাম। ইয়াৰ লগতে, লাইচেন্স চালক সকলৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ প্ৰক্ৰিয়াটো অধিক কঠোৰ কৰিব লাগে যাতে অযোগ্য চালকসকলে বাহন চলোৱাৰ অনুমতি নাপায়। প্ৰশিক্ষণৰ অভাৱত বহুতে নিয়মৰ গুৰুত্ব নুবুজে। গতিকে, মাজে মাজে চালকৰ বাবে নিয়মীয়াকৈ সজাগতা শিবিৰৰ আয়োজন কৰাটো বাঞ্চনীয়।

প্ৰযুক্তিৰ ব্যৱহাৰ কৰি দুৰ্ঘটনাৰ হাৰ কমাব পাৰি। আধুনিক বাহনসমূহত থকা উন্নত ব্ৰেকিং চিষ্টেম, এয়াৰবেগ আৰু স্পীড কণ্ট্ৰল ডিভাইছে যাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰে। কিন্তু প্ৰযুক্তিয়ে কেৱল সহায় কৰিব পাৰে, চলাই নিয়া মানুহজনৰ হাতততহে আচল নিয়ন্ত্ৰণ থাকে। সেয়েহে, মানৱীয় সচেতনতা সৰ্বোপৰি। আমাৰ দেশৰ পথসমূহত প্ৰতিদিনে যিমানবোৰ দুৰ্ঘটনা ঘটে, তাৰ অধিকাংশ হৈছে মানৱীয় ভুলৰ বাবে। সঠিক দিশত বাহন নচলোৱা, অভাৰটেকিং কৰাৰ প্ৰৱণতা, ট্ৰেফিক পইণ্টত নিয়ম নমানি সোমাই যোৱা আদি কাৰণবোৰে পথ সুৰক্ষাত প্ৰত্যাহ্বান সৃষ্টি কৰে। বৰষুণৰ দিনত বা ধুমুহাৰ সময়ত পথৰ অৱস্থা সলনি হয়, তেতিয়া চালকে অধিক সাৱধানতা অৱলম্বন কৰিব লাগে।

পথ সুৰক্ষাৰ বাবে আমি প্ৰতিজনে নিজৰ আচৰণত পৰিৱৰ্তন আনিব লাগিব। কেৱল নিজৰ গন্তব্য স্থান পোৱাটোৱেই উদ্দেশ্য নহৈ, নিৰাপদে যাত্ৰা সম্পূৰ্ণ কৰাটোৱেই প্ৰধান লক্ষ্য হোৱা উচিত। যিদিনা প্ৰতিজন চালকে নিজৰ আৰু আনৰ জীৱনক মূল্য দিবলৈ শিকিব, সেইদিনাই আমাৰ পথসমূহ সঁচাকৈয়ে সুৰক্ষিত হৈ উঠিব। এই বিশাল পৰিসৰৰ কামটোত কেৱল চৰকাৰী প্ৰচেষ্টা যথেষ্ট নহয়, ৰাইজৰ অংশগ্ৰহণ অপৰিহাৰ্য। আমি এক সুস্থ যাতায়ত ব্যৱস্থা গঢ়ি তুলিবলৈ প্ৰতিজ্ঞাৱদ্ধ হক্সব লাগিব। ইয়াৰ যোগেদিয়ে আমি আমাৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব পাৰিম।

পথ সুৰক্ষাৰ ক্ষেত্ৰত কেৱল চালকৰ দায়িত্বই যথেষ্ট নহয়, পথচাৰীৰ সচেতনতাও সমানেই গুৰুত্বপূৰ্ণ। বৰ্তমানৰ ব্যস্ত নগৰসমূহত ফুটপাথৰ অভাৱ অথবা ফুটপাথসমূহ বেদখল হোৱাৰ ফলত পথচাৰীসকলে মূল পথৰ মাজেৰে খোজ কাঢ়িবলগীয়া হয়, যিটো অতি বিপদজনক। জেব্ৰা ক্ৰছিং ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত প্ৰায়ে অনীহা প্ৰকাশ কৰা দেখা যায়। প্ৰত্যেক গৰাকী পথচাৰীয়ে যদি পথ পাৰ হওঁতে ট্ৰেফিক ছিগনেল মানি চলে আৰু বিপৰীত দিশৰ পৰা অহা বাহনৰ গতিবেগৰ প্ৰতি লক্ষ্য ৰাখে, তেন্তে অনাকাংক্ষিত দুৰ্ঘটনাৰ পৰা বহুখিনি হাত সাৰিব পৰা যাব। ৰাতিৰ সময়ত পথৰ কাষত খোজ কাঢ়োতে উজ্বল বৰণৰ কাপোৰ পৰিধান কৰাটোও এক সুৰক্ষাৰ কৌশল, যাতে চালকৰ দৃষ্টিত পথচাৰীগৰাকী সহজে পৰিব পাৰে।

যান-বাহনৰ যান্ত্ৰিক স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিয়াটো প্ৰতিজন গৰাকী চালকৰ বাবে অপৰিহাৰ্য। বহু সময়ত ব্ৰেকৰ বিজুতি, টায়াৰৰ অৱনতি বা হেডলাইটৰ সমস্যাৰ বাবেও দুৰ্ঘটনা সংঘটিত হয়। সেয়েহে, বাহন এখন নিয়মিত ব্যৱধানত চাৰ্ভিচিং কৰোৱাটো চৰকাৰী নিয়মৰ উপৰি নিজৰ নিৰাপত্তাৰ খাতিৰতো আৱশ্যক। লগতে, দীঘলীয়া যাত্ৰাৰ সময়ত চালকৰ ক্লান্তি আৰু অনিদ্ৰাজনিত কাৰণত হোৱা দুৰ্ঘটনাসমূহৰ প্ৰতিও সতৰ্ক হ'ব লাগে। দীঘলীয়া পথত বাহন চলোৱাৰ সময়ত মাজতে বিৰতি লৈ জিৰণি লোৱাটো মানসিক আৰু শাৰীৰিক সুস্থতাৰ বাবে প্ৰয়োজনীয়। চালকৰ একাগ্ৰতা হ্ৰাস পালে দুৰ্ঘটনাৰ সম্ভাৱনা বাঢ়ি যায়, সেয়েহে যাত্ৰাৰ সময়ত উচ্চস্বৰত সংগীত শুনা বা ম'বাইলত কথা পতাৰ দৰে অভ্যাস সম্পূৰ্ণ পৰিহাৰ কৰিব লাগে।

প্ৰশাসনৰ তৰফৰপৰাও পথ সুৰক্ষাৰ বাবে কেতবোৰ কঠোৰ পদক্ষেপ লোৱাৰ প্ৰয়োজনীয়তা আছে। যান-জঁট নিয়ন্ত্ৰণৰ বাবে আধুনিক চিচিটিভি কেমেৰা আৰু স্বয়ংক্ৰিয় ছিগনেল ৭ পৃষ্ঠাত

## মন মৰহি যোৱা হৃদয়ৰ বেথা

**দীপজ্যোতি পৰাশৰ**
বাইহাটা চাৰিআলি, বাৰেগাঁও

মন মৰহি যোৱা
হৃদয়ৰ বেথা
বুকুতে সাৱটি
থাকিমনো কেনেকৈ?
ক্লান্তিৰ বিশ্ৰামৰ
শান্তিৰ ঠাই বিচাৰি
নাপাওঁ যেন বিচাৰি,
দিশহেৰুৱা দিশান্ত.....
অচিন আকাশত....
ঢাকিব নোৱাৰা সুৰুয,
আজি কিয় জানো মাৰ যায়।

**ম'বাইল ঃ** ৯৩৯৪৩-০৫৩৩০

## বুকুৰ শূন্যতা

**ৰশ্মি ৰেখা দুৱৰা**
ডিব্ৰুগড়

ফুলিব ধৰোঁতে কিয় সৰি পৰিলা?
সযতনে ৰখাৰ অশেষ কষ্ট কৰিছিলোঁ
ৰাখিবলৈ সুবিধাই নিদিলা।
এচাতি পোহৰ হৈ ধৰালৈ নামি আহিছিলা
আকাশৰ পৰা সৰি পৰিছিল আনন্দৰ বৰষুণ,
সেই সময় খন্তেকীয়া আছিল।
সপোনবোৰ বাস্তৱত পৰিণত নহ'ল
চিৰদিন এজাক ধুমুহা হৈ বলি ৰ'ল
হৃদয়ৰ অন্তস্থ কোণত।
দিন বাগৰি গ'ল
বুকুৰ কেঁচা ঘাঁ টুকুৰা বাঢ়ি গৈ থাকিল,
কোনো চিকিৎসকে শুকুৱাব নোৱাৰা এটুকুৰা ঘাঁ।
কেতিয়াবা বাধ্যত পৰি সময়বোৰো নিষ্ঠুৰ হয়,
নভবাকৈয়ে বিয়োগ হৈ শূন্যতাই হেঁচুকি ধৰে
যোগ হ'বলৈ কিন্তু কোনো সংখ্যাই নাথাকে।
আকাশৰ বুকুৱে সামৰি ৰাখিছে তোমাক
হিয়া উজাৰি আলফুলে,
তৰাৰ দেশত উজলি উঠা ৰঙীন বোলেৰে।



## পূজা

**প্ৰভাত বণিয়া**

শৰত আহিল
নিয়ৰ সৰিছে টোপ টোপ
কেওফালে উজলি উঠিছে
জান জুৰি পৃথিৱী ৰূপে অপৰূপা মনোমুগ্ধ পৰিৱেশ
শেৱালীৰ মলমলীয়া সুৱাস
মন ফৰকাল

নৈৰ দাঁতিত হালিছে জালিছে শুকুলা কহুৱা ফুল
কপিছে লিহিৰি বিৰিণা,
শংখ ঘণ্টা, ধাক ঢোল বাজিছে
মৰ্ত্যলৈ আহিল দুৰ্গতি নাশিনী, মহিষ-মৰ্দিনী দেৱী
দুৰ্গা মহামায়া

ভক্ত প্ৰাণ পুৰুষ-মহিলা যুৱক-যুৱতী
শিশু মাতৃৰ আজি উলাহ অধীৰ হিয়া
আমিও আৰতি কৰোঁ দুৰ্গা গোসাঁনীৰ চৰণ যুগলে
মন প্ৰাণৰ পৰা আসুৰিক চিন্তা ভাৱনা মচি পেলাওঁ সমূলি
গৰ্ব অহঙ্কাৰ, ফটুৱা ভেম দূৰতে কৰোঁ বিদূৰ
নিস্বাৰ্থ দ্বিধাহীন, ভয়, শংকা বিহীন মনৰ অধিকাৰী হও সকলো
পাদ্য অৰ্ঘ ধূপ ধুনা নৈবেদ্যৰে
মহামাতা স্নেহময়ী দশভূজা দেৱী দুৰ্গাক যাচো আহাঁ
ভক্তি অঞ্জলি।

## বাৰমাহী

**মুকুল জয়ন্ত**

হাতজোৰ কৰি
চামিল নহয় চুবুৰী
পৰ্দা ঠেলি,
নলাৰ পানীত
ল'ৰা জেনৰ
খবৰ পোৱা গৈছে।

## মা দুৰ্গা দেৱীক পূজো আহাঁ

**জ্যোৎস্না ৰাণী**
পাঞ্জাবাৰী

আহিছে নামি স্বৰ্গৰ পৰা আহিণৰ শুক্ল পক্ষত মা দুৰ্গা দেৱী,
কি লৈ নামিছে পৃথিৱীৰ বুকুত
হাতী, দোলা, নাও মেলি
ব্ৰহ্মাৰ মানস পুত্ৰয় তোমাৰেই আৰাধনাত,
তিনি বগভব বীজ জপ মগ্ন হৈ,
মহা বাহুৰ বৰ দান পায়,
মা দুৰ্গা দেৱীৰ আশীষ বিচাৰি আমিও কৰো দুৰ্গা পূজা,
পৰ্বত ৰাজ হিমালয়তপুত্ৰী ৰূপেৰে জনম লৈ,
পুজো আমি শৈল পুত্ৰী ৰূপে,
হৈমৱতী স্বৰূপে দেৱতাৰ দৰ্প চূৰ্ণ কৰি,
শৈলপুত্ৰী মহিমা অপাৰ,
উজ্বল চেহেৰা লৈ কল্যাণ কাৰী হৈ মা
তোমাৰ চন্দ্ৰঘন্টা অন্য এটি নামেৰে পুজো,
সৃষ্টিৰ আদি স্বৰূপ অষ্টভূজা দেৱী হৈ ঈষৎ হাঁহিৰে ব্ৰহ্মাণ্ড ৰছিলা,
স্কন্দ মাতৃ স্বৰূপিনী দেৱী চতুৰ্ভূজা,
কাত্যায়নী ৰূপেও মহিযাসুৰক বধিলা,
তিনিও টা চকু ব্ৰহ্মাণ্ডৰ দৰে ঘূৰণীয়া,
উশাহ নিশাঁহত ওলাই অগ্নি শিখা, সেয়েহে পূজো আমি কালৰাত্ৰি বুলি।
মহাগৌৰী নামেৰে পূজা অৰ্চনা লৈ,
শিৰয় বাবা গা ধুৱাই, গংগা জল ঢালি,
সিদ্ধি দাত্ৰী বুলি পূজা দিওঁ তোমাক শ্ৰদ্ধাৰে নিৰ্মালি দুয়ো হাতেৰে
আশীৰ্বাদ দিয়া দহো হাতেৰে।

**ম'বাইল ঃ** ৭৪৮৬০-৩৭৮৭৬

## হতাশাৰ মাজত আশাৰ ৰেঙণি

**নাচিমা য়াচমিন**
বিশ্বনাথ চাৰিআলি

চৌদিশে হতাশা,
নিৰাশা, ব্যৰ্থতা,
সপোনবোৰ ভাঙি
চূৰ্ণ বিচুৰ্ণ হোৱা।
কেতিয়াবা অসহ্য লাগে
মনটো ভাগৰুৱা হৈ পৰে,
ৰক্তাক্ত কলিজাখনে
যন্ত্ৰণাত কাতৰ হৈ চিঞৰে।
হেৰৌ, ক'ত গলি সুখ
জীৱনটোত কিয় ইমান দুখ
সকলো চেষ্টা ব্যৰ্থ,
জীৱনটোৰ নাই অৰ্থ।
ভাঙি পৰিও আকৌ উঠোঁ
নতুনকৈ জীয়াব সপোন দেখোঁ
হতাশাৰ মাজত আশাৰ ৰেঙণি বিচাৰো
হয়তোবা সুখৰ মুখেই দেখোঁ।



প্ৰথম পৃষ্ঠাৰ পৰা

## শুৱালকুছিত 'সাহিত্যৰ নৱৰস মঞ্চ'ৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠান

দেৱীয়ে আঁতধৰা সভাখনত সভাপতিত্ব কৰে জাৰ্নেলিষ্ট বাৰ্তাৰ মুখ্য সম্পাদক প্ৰভাত চন্দ্ৰ শৰ্মাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকে সাহিত্যিক সমালোচক ইছমাইল হোছেইন ডাঙৰীয়া আৰু আমন্ত্ৰিত অতিথি মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি তথা অনুৰাগ আলোচনীৰ মুখ্য সম্পাদক ড° হৰমোহন কলিতা ডাঙৰীয়াই। আদৰণি ভাষণত 'সাহিত্যৰ নৱৰস মঞ্চ' মুখ্য প্ৰশাসিকা তথা প্ৰতিষ্ঠাপক অনামিকা (সংগীতা) কলিতাই সভাত উপস্থিত আটাইকে সম্ভাষণ জনোৱা লগতে গ্ৰুপটোৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে। ইয়াৰ পিছত

অনুষ্ঠানটোৰ স্মৃতিগ্ৰন্থ 'নৱৰস' উন্মোচন কৰা হয়। ইয়াৰ সমান্তৰালকৈ ৰীতা কলিতাৰ কবিতা পুথি --আশাৰ ৰেঙণি, কণিকা কলিতাৰ কবিতা পুথি --হৃদয়ৰ দাপোণত সোণালী দিন, অমিয়া বেগমৰ প্ৰৱন্ধ সংকলন --বাস্তৱৰ দাপোণ, প্ৰাণ-প্ৰতিমাৰ কথাগল্প --হৃদয়ৰ কোঁহে কোঁহে মাথোঁ তুমি। নামৰ আন চাৰিখন পুঠি একেখন মঞ্চতে উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচনৰ পিছত মুখ্য অতিথি অধ্যাপক ইছমাইল হোছেইনে তেখেতৰ ভাষণত কয় 'এটা' কবিতা, গল্প বা প্ৰৱন্ধ কোনো বাতৰি কাকত বা আলোচনীত প্ৰকাশ নোপোৱাটোৱে লিখাৰ মানদণ্ড উন্নত নোহোৱাটো নুবুজাই, সদায় ইতিবাচক চিন্তা চৰ্চাৰে আগবাঢ়ি যোৱাৰ প্ৰয়াস মনত বান্ধি ৰাখিব লাগে। সভাত লেখিকা কেইগৰাকীয়ে তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰাৰ লগতে মুখ্য প্ৰশাসিকা অনামিকা সংগীতা কলিতাক ইয়াৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে, লগতে আমন্ত্ৰিত অতিথি ড° হৰমোহন কলিতাই মহিলা সকলে সাহিত্য সাধনাত ব্ৰতী হোৱাত ভূয়সী প্ৰশংসা কৰে। কাৰ্যসূচী অনুসৰি শুৱালকুছিৰ অন্যতম নটৰাজ কলা কেন্দ্ৰৰ জন্মদাতা গীতাঞ্জলি কলিতা আৰু তেওঁৰ সহযোগী প্ৰণৱ ত্ৰিপাঠীয়ে নৃত্য পৰিৱেশন কৰে লগতে ধ্ৰুপদী চি কাশ্যপৰ ভূপেন্দ্ৰ সংগীত আৰু আকাশবাণীৰ শিশু সংগীত শিল্পী নিয়ৰকণাৰ জুবিন গাৰ্গৰ গীত পৰিৱেশনৰ দ্বাৰা সকলোকে আপ্লুত কৰে। ইয়াৰ পিছত উপস্থিত সদস্য, সদস্যাৰ মনৰ ভাব অনুষ্ঠানটো পৰিচালনা কৰে সাহিত্যৰ নৱৰস মঞ্চৰ প্ৰশাসিকা মঞ্জু কাকতিয়ে । উক্ত অনুষ্ঠানত অৱসৰ প্ৰাপ্ত অধ্যক্ষ চপ্পা চৌধুৰী, কল্যাণী সিংহ, বিভাৰাণী দাস, মনমোহন দাস, সংগীতা ৰয় চৌধুৰী, দীপ্তি চৌধুৰী,দূলুমণি শইকীয়া, তিলোত্তমা দত্ত, ডালিমী কুলাধিপতি, ভৱেশ্বৰী কলিতা, সুশীলা কলিতা, নিৰ্মালি কলিতা, নিভা ডেকা পাটগিৰি, বিভা ভূএগ্রা আদিকৰি শুৱালকুছিৰ উপৰিও বিভিন্ন ঠাইৰ দূৰ-দূৰণিৰ পৰা অহা বহুত কেইগৰাকী সতীৰ্থই কবিতা পাঠ, মনৰ অনুভৱ প্ৰকাশ কৰে। এই মঞ্চতে তেওঁলোকক এখন সম্বৰ্ধনা পত্ৰ, এটা জাপি, এখনি ফুলাম গামোচা, এটা মোমেন্ট, এখন স্মৃতিগ্ৰন্থৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আটাইবোৰ কাৰ্যসূচীত সহযোগিতা আগবঢ়াই সাফল্য মণ্ডিত কৰাত অৰিহণা যোগায়, ক্ৰমে উপদেষ্টা

## শুৱালকুছিৰ শিপিনীৰ হাতত উন্নত মানৰ উৰামাকোঁ তাঁতশাল বিতৰণ

মাজত উন্নতমানৰ উৰামাকোঁ, তাঁতশাল আৰু হস্ততাঁত সঁজুলিৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। অসম চৰকাৰৰ হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াৰ কৰকমলত অনুষ্ঠিত এই বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস। কামৰূপ জিলাৰ বাথান ভাটিচুবা ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা শুৱালকুছি মেগা হেণ্ডলুম ক্লাষ্টাৰৰ অধীনত পৰিবৰ্তনমুখী পদক্ষেপত ৪,২৬৬ গৰাকী শিপিনীক সামৰি উন্নতমানৰ উৰামাকো তাঁতশাল আৰু হস্ততাঁত সঁজুলিৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে কয় যে- শুৱালকুছি কেৱল অসমৰ বয়নশিল্পৰ পৰিচয় নহয়, ই অসমৰ ঐতিহ্য, সংস্কৃতি আৰু শিপিনীৰ সৃষ্টিশীলতাৰ এক জীৱন্ত প্ৰতিচ্ছবি। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বত ৰাজ্যৰ ঐতিহ্যবাহী হস্ততাঁত শিল্পৰ সংৰক্ষণ, উন্নয়ন আৰু শিপিনীসকলক স্বাৱলম্বী কৰি তোলাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপে এই শিল্পখণ্ডক নতুন গতি প্ৰদান কৰিছে। উন্নত প্ৰযুক্তি আৰু আধুনিক সুবিধাৰ সংযোজনে শিপিনীসকলৰ উৎপাদনশীলতা বৃদ্ধিৰ লগতে তেওঁলোকৰ জীৱন-জীৱিকাৰ ক্ষেত্ৰতো নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে আৰু কয় যে শুৱালকুছিৰ তাঁতশালৰ প্ৰতিটো সূতাই অসমৰ ঐতিহ্যক প্ৰতিফলিত কৰে। শিপিনীৰ হাত শক্তিশালী হ'লে শক্তিশালী হয় আমাৰ ঐতিহ্য, সংস্কৃতি আৰু গ্ৰাম্য অৰ্থনীতি। অনুষ্ঠানত হস্ততাঁত আৰু বস্ত্ৰ সঞ্চালকালয়ৰ সঞ্চালক ময়ুৰী ওজা, গুৱাহাটীৰ শিপিনী সেৱা কেন্দ্ৰৰ সঞ্চালক বিশেষ নটিয়ালৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে।

## 'বিকশিত ভাৰত সংকল্প সভা'ত অংশগ্ৰহণ কৰি এই ঐতিহাসিক সেৱা-

ৰখিব। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক পুনৰবাৰ অসমবাসীৰ হৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ বুলি কয়। এয়া এগৰাকী ভাৰত মাতৃৰ সুযোগ্য সন্তানৰ ২৫ বছৰীয়া এক যাত্ৰাৰ উদ্‌যাপনৰ লগতে এক অক্লান্ত ৰাষ্ট্ৰসেৱাৰ গৌৰৱময় অধ্যায়ৰ স্মৰণ কৰা বুলি কয়।

## নগাঁৱত আন্তৰ্জাতিক নাগৰিক দিৱস উদ্‌যাপন

বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ জিলা সভাপতি ড° শৰৎ বৰকটকী, বিশিষ্ট লেখক ড° মোহিনীমোহন ডেকা, অতিৰিক্ত আয়ুক্ত অঞ্জলি কুমাৰী, শিবানন্দ কাকতি, প্ৰদীপ শইকীয়াৰ লগতে জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু পেঞ্চনাৰ সন্থাৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# লোকনীতি বিশ্লেষণত কৃত্ৰিম বুদ্ধিমত্তাৰ ভূমিকা

■ মানস প্ৰতীম হাজৰিকা

একবিংশ শতিকাৰ ৰাজনীতি আৰু শাসন ব্যৱস্থাৰ অন্যতম বৈশিষ্ট্য হৈছে তথ্য, প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ (Artificial Intelligence–AI) ক্ৰমবৰ্ধমান প্ৰভাৱ। লোক নীতিৰ বিশ্লেষণ হৈছে সামাজিক সমস্যাসমূহ চিনাক্ত কৰা, নীতিৰ বিকল্পসমূহ মূল্যায়ন কৰা, সম্ভাব্য ফলাফলৰ পূৰ্বানুমান কৰা আৰু জনকল্যাণমুখী সিদ্ধান্ত গ্ৰহণত নীতি-নিৰ্ধাৰকক সহায় কৰা। অতীতত এই প্ৰক্ৰিয়া সীমিত তথ্য, ধীৰগতিৰ পৰিসংখ্যাগত বিশ্লেষণ আৰু মানৱীয় অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল আছিল। কৃত্ৰিম বুদ্ধিমত্তা (Artificial Intelligence—AI)-য়ে Big Data, Machine Learning, Natural Language Processing (NLP) আৰু Predictive Analytics-ৰ সহায়ত জননীতি বিশ্লেষণক অধিক তথ্যভিত্তিক, গতিশীল আৰু বৈজ্ঞানিক কৰি তুলিছে। ফলস্বৰূপে, নীতি-নিৰ্ধাৰণ evidence-based-ৰ পৰা intelligence-driven governance-লৈ অগ্ৰসৰ হৈছে।

AI-ৰ অন্যতম অৱদান হৈছে বিশাল তথ্যভাণ্ডাৰক সিদ্ধান্তযোগ্য জ্ঞানলৈ ৰূপান্তৰ কৰা। স্বাস্থ্য, শিক্ষা, কৃষি, কৰ ব্যৱস্থা, জনসংখ্যা, পৰিৱেশ, জলবায়ু, নিয়োগ, সামাজিক সুৰক্ষা, দুৰ্যোগ ব্যৱস্থাপনা আৰু অৰ্থনীতিৰ তথ্য বিশ্লেষণ কৰি AI-য়ে সমস্যাৰ মূল কাৰণ, সম্ভাব্য বিপদ আৰু নীতিৰ প্ৰভাৱ সম্পৰ্কে অন্তৰ্দৃষ্টি প্ৰদান কৰে। ফলত নীতি-নিৰ্মাণ অধিক তথ্যসমৰ্থিত, পৰিমাপযোগ্য আৰু ফলাফলমুখী হয়।

AI-ভিত্তিক Real-time Monitoring আৰু Outcome Evaluation-এ চৰকাৰক নীতিৰ অগ্ৰগতি আৰু ফলাফল নিৰন্তৰ মূল্যায়নৰ সুবিধা দিয়ে। ইয়াৰ ফলত ত্ৰুটি সময়মতে চিনাক্ত আৰু সংশোধন কৰিব পৰা যায়, যি সুশাসনৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

কিন্তু AI-ৰ সম্ভাৱনাৰ লগতে নৈতিক, ৰাজনৈতিক আৰু সাংবিধানিক প্ৰত্যাহ্বানো আছে। AI সম্পূৰ্ণ নিৰপেক্ষ নহয়; প্ৰশিক্ষণত ব্যৱহৃত তথ্যত থকা পক্ষপাত (Bias) পুনৰুৎপাদন হ'ব পাৰে। ফলত নিয়োগ, ঋণ অনুমোদন, আৰক্ষী তদন্ত, কল্যাণমূলক আঁচনি আৰু ন্যায়বিচাৰত Algorithmic Bias-এ সামাজিক বৈষম্য বৃদ্ধি কৰিব পাৰে। তদুপৰি, বৃহৎ পৰিমাণৰ ব্যক্তিগত তথ্য সংগ্ৰহে গোপনীয়তা, তথ্য-সুৰক্ষা আৰু নাগৰিক স্বাধীনতাৰ ওপৰত নতুন প্ৰশ্ন উত্থাপন কৰে।

তাত্ত্বিকভাৱে, Harold D. Lasswell-এ জননীতিক "Who gets what, when and how" বুলি ব্যাখ্যা কৰি বৈজ্ঞানিক তথ্য আৰু আন্তঃবিষয়ক বিশ্লেষণৰ গুৰুত্ব আৰোপ কৰিছিল। AI-য়ে বৃহৎ তথ্য বিশ্লেষণৰ জৰিয়তে তেওঁৰ Evidence-based Policy Making-ৰ ধাৰণাক অধিক শক্তিশালী কৰিছে। Herbert A. Simon-1 Bounded Rationality তত্ত্ব অনুসৰি নীতি-নিৰ্ধাৰকসকলে সীমিত তথ্য, সময় আৰু জ্ঞানৰ বাবে সম্পূৰ্ণ যুক্তিসংগত সিদ্ধান্ত ল'ব নোৱাৰে। AI-য়ে এই সীমাবদ্ধতা আংশিকভাৱে হ্ৰাস কৰিলেও চূড়ান্ত সিদ্ধান্তত মানৱীয় বিচাৰ-বিবেচনা অপৰিহাৰ্য।

Amartya Sen-1 Capability Approach অনুসৰি উন্নয়নৰ লক্ষ্য কেৱল কাৰ্যক্ষমতা বৃদ্ধি নহয়; মানুহৰ স্বাধীনতা, সামৰ্থ্য আৰু মৰ্যাদা সম্প্ৰসাৰণ। সেয়েহে AI-ভিত্তিক জননীতি তেতিয়াহে সফল হ'ব, যেতিয়া ই সামাজিক ন্যায়, অন্তৰ্ভুক্তিমূলক উন্নয়ন আৰু সমান সুযোগ নিশ্চিত কৰিব। আনহাতে Michel Foucault-ৰ Discipline and Punish ১৯৭৫ কিতাপ খনত "Power and Surveillance" তত্ত্বই AI-ভিত্তিক চালিকাশক্তিৰ ফলত ৰাষ্ট্ৰীয় ক্ষমতাৰ কেন্দ্ৰীকৰণৰ আশংকা উজাগৰ কৰে।

AI আৰু গণতান্ত্ৰিক মূল্যবোধৰ সম্পৰ্কো সমানে গুৰুত্বপূৰ্ণ। গণতন্ত্ৰত নীতিৰ বৈধতা কেৱল কাৰ্যক্ষমতাৰ ওপৰত নিৰ্ভৰ নকৰে; ই স্বচ্ছতা, প্ৰত্যুত্তৰ বাদী, সমতা, জনঅংশগ্ৰহণ আৰু ন্যায়ৰ নীতি কিমান সন্মান কৰে, তাৰ ওপৰত নিৰ্ভৰ কৰে। AI-ৰ সিদ্ধান্ত যদি ব্যাখ্যাহীন (Black Box Algorithm) হয়, তেন্তে নাগৰিকৰ সেই সিদ্ধান্তক প্ৰশ্ন কৰাৰ অধিকাৰ ক্ষুণ্ণ হ'ব পাৰে। সেয়েহে Explainable AI, Algorithmic Accountability Õ±1n¸ Human Oversight আধুনিক জননীতিৰ অপৰিহাৰ্য উপাদান।

ভাৰতৰ দৰে বহুত্ববাদী সাংবিধানিক গণতন্ত্ৰত AI-ৰ সফলতা কেৱল প্ৰযুক্তিগত উৎকৰ্ষতাৰ ওপৰত নিৰ্ভৰ নকৰে। সংবিধানৰ ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বৰ আদৰ্শ, তথ্য-সুৰক্ষা, অন্তৰ্ভুক্তিমূলক উন্নয়ন আৰু সামাজিক ন্যায়ৰ সৈতে AI-ৰ সামঞ্জস্য নিশ্চিত কৰাটো অধিক গুৰুত্বপূৰ্ণ। Digital India, IndiaAI Mission, স্মাৰ্ট গভাৰ্নেন্স আৰু ডিজিটেল জনসেৱাই নতুন সম্ভাৱনা সৃষ্টি কৰিছে। তথাপিও ডিজিটেল বৈষম্য, প্ৰযুক্তিগত সাক্ষৰতাৰ অভাৱ আৰু আঞ্চলিক অসমতা দূৰ নকৰাকৈ AI-ভিত্তিক উন্নয়ন সম্পূৰ্ণ অন্তৰ্ভুক্তিমূলক হ'ব নোৱাৰে।

সামৰণিত ক'ব পাৰি যে কৃত্ৰিম বুদ্ধিমত্তাই জননীতি বিশ্লেষণক নতুন বৌদ্ধিক আৰু প্ৰযুক্তিগত পৰ্যায়লৈ উন্নীত কৰিছে। কিন্তু ইয়াৰ সফলতা কেৱল কাৰিকৰী উৎকৰ্ষতাৰ ওপৰত নিৰ্ভৰ নকৰে; ই সংবিধানৰ মূল্যবোধ, গণতান্ত্ৰিক প্ৰত্যুত্তৰবাদী, নৈতিক শাসন, তথ্য-সুৰক্ষা আৰু অন্তৰ্ভুক্তিমূলক উন্নয়নৰ সৈতে কিমান সামঞ্জস্য ৰাখে, সেয়াই মুখ্য। সেয়েহে AI-চালিত জননীতিৰ চূড়ান্ত লক্ষ্য কেৱল অধিক দক্ষ ৰাষ্ট্ৰ গঢ়া নহয়; বৰং অধিক ন্যায়সঙ্গত, অধিক গণতান্ত্ৰিক আৰু অধিক মানৱিক ৰাষ্ট্ৰ গঢ়া।

**ম'বাইল ঃ** ৭০৯৯৪-২৮৬৫৪

ছয় পৃষ্ঠাৰ পৰা

## পথ দুৰ্ঘটনা ৰোধত সজাগতাৰ প্ৰয়োজন

ব্যৱস্থাৰ প্ৰসাৰ ঘটাব লাগে। যিসকলে যান-বাহন আইন উলংঘা কৰে, তেওঁলোকৰ বিৰুদ্ধে দৃষ্টান্তমূলক শাস্তি বা জৰিমনাৰ ব্যৱস্থা থাকিব লাগে। অৱশ্যে কেৱল শাস্তি প্ৰদান কৰিলেই সমস্যা সমাধান নহ'ব। ইয়াৰ বাবে সমাজত এখন সচেতনতাৰ বাতাৱৰণ গঢ়ি তোলাটো মূল লক্ষ্য হ'ব লাগে। স্বেচ্ছাসেৱী সংগঠনসমূহৰ জৰিয়তে বিভিন্ন সময়ত 'পথ সুৰক্ষা সপ্তাহ' পালন কৰা আৰু সাধাৰণ ৰাইজৰ মাজত লিফলেট বিতৰণ কৰা, পথৰ দাঁতিত সজাগতামূলক হ'ৰ্ডিং লগোৱা আদি কামবোৰে যথেষ্ট ইতিবাচক প্ৰভাৱ পেলাব পাৰে।

অৰ্থনৈতিক দিশৰ পৰা চালে দেখা যায় যে পথ দুৰ্ঘটনাই দেশৰ জিডিপিৰ ওপৰত এক নেতিবাচক প্ৰভাৱ পেলায়। দুৰ্ঘটনাত আক্ৰান্ত হৈ বহু সংখ্যক লোকে অকালতে অংগ-প্ৰত্যংগ হেৰুৱায় বা কৰ্মক্ষমতা হেৰুৱাই পেলায়, যিয়ে পৰিয়ালৰ লগতে ৰাষ্ট্ৰীয় অৰ্থনীতিতো গধুৰ বোজাৰ সৃষ্টি কৰে। সেয়েহে পথ সুৰক্ষা কেৱল এক ব্যক্তিগত সুৰক্ষা নহয়, ই দেশৰ সম্পদ সুৰক্ষিত কৰাৰ এক অংগীকাৰ। আমি যদি আমাৰ মানসিকতাত পৰিৱৰ্তন আনিব পাৰোঁ আৰু আনৰ জীৱনৰ প্ৰতিও সন্মান প্ৰদৰ্শন কৰিব পাৰোঁ, তেন্তে আমাৰ পথসমূহ যাতায়তৰ বাবে অধিক নিৰাপদ হৈ পৰিব।

মহিলা চালক বা নতুনকৈ শিকি থকা চালকৰ ক্ষেত্ৰত অধিক ধৈৰ্যশীলতা প্ৰদৰ্শন কৰাটোও পথ শিষ্টাচাৰৰ এটা অংশ। উগ্ৰ মনোভাব লৈ বাহন চলোৱা বা ৰাস্তাত তৰ্ক কৰাৰ প্ৰৱণতাই দুৰ্ঘটনাৰ মাত্ৰা বৃদ্ধি কৰে। গতিকে, পথত যাত্ৰা কৰাৰ সময়ত সকলোৱে পৰস্পৰৰ প্ৰতি সহযোগিতাৰ মনোভাৱ ৰাখিব লাগে। ব্যক্তিগত বাহনৰ পৰিৱৰ্তে সাৰ্বজনীন পৰিবহণৰ ব্যৱহাৰ বৃদ্ধি কৰিলে পথৰ ওপৰত হেঁচা কমিব আৰু দুৰ্ঘটনাৰ সম্ভাৱনাও হ্ৰাস পাব। ইয়াৰ উপৰি, দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে আহত ব্যক্তিক প্ৰাথমিক চিকিৎসা আগবঢ়োৱা আৰু ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱাৰ ক্ষেত্ৰত সাধাৰণ ৰাইজে আগভাগ ল'ব লাগে। 'গ'ল্ডেন আৱাৰ' বা দুৰ্ঘটনাৰ প্ৰথম এক ঘণ্টাৰ গুৰুত্ব বুজি প্ৰতিজন নাগৰিকে সহায়ৰ হাত আগবঢ়াব লাগে।

সামৰণিত এইটোৱেই ক'ব পাৰি যে প্ৰযুক্তিৰ দ্ৰুত উৎকৰ্ষৰ লগে লগে পথসমূহ অধিক আধুনিক হৈছে যদিও আমাৰ দায়িত্ববোধৰ পৰিসৰো বহল হৈছে। নিয়ম মানি চলাটো আধুনিক সমাজৰ এগৰাকী সভ্য নাগৰিকৰ প্ৰধান পৰিচয়। আমি প্ৰতিজ্ঞা ল'ব লাগে যে যিকোনো পৰিস্থিতিত আমি যান-বাহন আইন উলংঘা নকৰোঁ। সচেতনতা আৰু দায়বদ্ধতাই আমাৰ পৰিয়ালক দুখৰ পৰা ৰক্ষা কৰিব আৰু সুন্দৰ সমাজ গঢ়াত অৰিহণা যোগাব। আমাৰ সৰু সাৱধানতাই হয়তো কোনোবা এটা মূল্যৱান প্ৰাণ ৰক্ষা কৰিব পাৰে, সেয়েহে আজিৰে পৰা পথ সুৰক্ষাক আমাৰ দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংশ কৰি লওঁ আহক। সুস্থ, সুৰক্ষিত আৰু শান্তিপূৰ্ণ যাতায়ত ব্যৱস্থা গঢ়ি তোলাই আমাৰ সকলোৱে একমাত্ৰ লক্ষ্য হোৱা উচিত।

**ম'বাইল ঃ** ৯৮৫৪৪-৫০৫৮২

# ২০২৬ বৰ্ষৰ কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যৰ



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ শুৱালকুছি প্ৰগতি ছাত্ৰ সমাজৰ উদ্যোগত ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক যোৱা ৪ অক্টোবৰত শুৱালকুছি শ্ৰীশ্ৰীশংকৰদেৱ ধাম প্ৰাংগণত ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত শুৱালকুছি, বংশৰ, বাথান আদি অঞ্চলৰ বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ পৰা কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা মঞ্চ উদ্বোধন কৰে ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই। অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। আদৰণি ভাষণ দিয়ে ৰূপমজ্যোতি মেধিয়ে। সম্বৰ্ধনা অনুষ্ঠানত ভাষণ প্ৰসংগত ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই কয় যে প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামৰ এযাৰ কথাৰ আঁত ধৰি কয় যে- শিক্ষা হ'ল এনে এবিধ অস্ত্ৰ যিয়ে পৃথিৱী জয় কৰিব পাৰে। গতিকে ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষিত হ'বলৈ সপোন দেখিব লাগিব আৰু উচ্চাকাংক্ষা থাকিব লাগিব। তেওঁ কয় যে যি ছাত্ৰই দেশ-ৰাজ্যৰ প্ৰগতিত ইন্ধন যোগাব পাৰে, মাক-দেউতাকৰ মুখত হাঁহি বিৰিঙাব পাৰে, আপদ-বিপদত ওচৰ-চুবুৰীয়াক নাপাহৰে তেনে ছাত্ৰহে প্ৰকৃত ছাত্ৰ। প্ৰকৃত মানুহ হ'বলৈ হ'লে উপযুক্ত শিক্ষাৰে শিক্ষিত হ'ব লাগিব। সমাজক বিপথে পৰিচালিত কৰা শিক্ষা নালাগে। তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ ক্ষেত্ৰত অত্যধিক ম'বাইল ব্যৱহাৰ কৰে। ইয়াত ভাল-বেয়া দুয়োটা দিশ আছে। ম'বাইলৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীক আগবাঢ়ি যোৱাত বাধাৰ সৃষ্টি কৰে। কিতাপ পঢ়ি জ্ঞান অৰ্জন কৰিলে জীৱনটোলৈ শিকিব পৰা যায়, কিন্তু ম'বাইলৰ শিক্ষা ক্ষণস্থায়ী। উচ্চ শিক্ষাৰ বাবে ঘৰ এৰি যোৱা বেছিভাগ ছাত্ৰ-ছাত্ৰী বিপথে পৰিচালিত হয় বুলি উল্লেখ কৰি তেওঁ কয় যে মাক-দেউতাক, ওচৰ-চুবুৰীয়াৰ লগত সম্বন্ধ ৰক্ষা কৰা, নিজৰ কৃষ্টি-সংস্কৃতি, সভ্যতা আদি ৰক্ষা কৰি চলা ছাত্ৰ-ছাত্ৰী কেতিয়াও বিপথে যাব নোৱাৰে। সভাত ভাষণ দি স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে মাতৃভাষা, মাতৃভূমি আৰু মাতৃক পাহৰিব নালাগে বুলি উল্লেখ কৰি কয় যে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে শিপাৰ লগত জড়িত হৈ থাকিব লাগিব। সামাজিক দায়িত্ববোধ থাকিব লাগিব। মাৰ্কশ্বীটখন সৰ্বোচ্চ শিক্ষা নহয়, প্ৰকৃত জ্ঞান অৰ্জন কৰাটোহে লক্ষ্য হ'ব লাগে। নিজৰ কৃষ্টি-সংস্কৃতিৰ লগত জড়িত হ'ব লাগিব, নহ'লে নিজেও সংস্কৃতিৰ পৰা হেৰাই যাব। সভাত মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক দিগন্ত শৰ্মা, চলচ্চিত্ৰ পৰিচালক হেমন্ত কলিতা, জিএমডিএৰ সমন্বয়ৰক্ষী সনাতন দাস, শুৱালকুছি মণ্ডল বিজেপিৰ সভাপতি ধীৰাজ মহন্ত, সমাজকৰ্মী কল্প দেউৰী, কুমুদ বৈশ্য, ৰমেন কলিতা, মদন চন্দ্ৰ মেধি প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত মদন চন্দ্ৰ মেধিৰ 'একাক্ষৰী কাব্যগ্ৰন্থ' উন্মোচন কৰা হয়।

# আন্তৰাষ্ট্ৰীয় পৰ্যায়ত উজ্বলিল নগাঁৱৰ সুদেষ্ণা শৰ্মা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** সুদূৰ ওড়িশাৰ পুৰীত অনুষ্ঠিত ৩৪ সংখ্যক আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় নৃত্য, সংগীত আৰু নাট মহোৎসৱত অংশগ্ৰহণ কৰি অসমৰ নৃত্য জগতলৈ গৌৰৱ কঢ়িয়াই আনিছে নগাঁও চহৰৰ পূব আমোলাপট্টিৰ সুদেষ্ণা শৰ্মাই। যোৱা ২৪ ছেপ্টেম্বৰৰ পৰা ২৬ ছেপ্টেম্বৰলৈ পুৰীৰ অন্নপূৰ্ণা থিয়েটাৰ হলত উৎকল যুৱ সাংস্কৃতিক গোষ্ঠী, কটকৰ উদ্যোগত অনুষ্ঠিত হোৱা মহোৎসৱত অংশগ্ৰহণ কৰি নগাঁৱৰ সুদেষ্ণাই ভাৰত নাট্যমৰ একক প্ৰতিযোগিতাত প্ৰথম স্থান অৰ্জন কৰে। তেওঁৰ এই সাফল্যই সমগ্ৰ সৈ অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ বিশেষ গৌৰৱ কঢ়িয়াই আনে। লগতে নগাঁৱৰ একশ্ৰেনীৰ সচেতন লোকসকলে অনাগত দিন সমূহত সুদেষ্ণাৰ পৰা এনেধৰণৰ ফলাফল আশা কৰিছে।







# বিশিষ্ট সাহিত্য-সংগঠক, কবি, কৃতী শিক্ষক প্ৰেম বৈষ্ণৱলৈ 'নৱজাগৰণ সাহিত্য অনৰাগ সন্মান- ২০২৬'




**বিপ্লৱ ৰয় ঃ** অসমৰ বিশিষ্ট সাহিত্য-সংগঠক তথা কৃতী শিক্ষক, প্ৰেম বৈষ্ণৱক 'নৱজাগৰণ সাহিত্য অনুৰাগ সন্মান-২০২৬'ৰে ভূষিত কৰা হৈছে। যোৱা ৪ অক্টোবৰত সত্ৰনগৰী মাজুলীৰ ঐতিহাসিক শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ 'বংশী গোপাল নাট্য মন্দিৰ'ত অনুষ্ঠিত 'নৱজাগৰণ সাহিত্য আৰু সংস্কৃতি মঞ্চ, অসম'ৰ ষষ্ঠ বাৰ্ষিক অধিৱেশনত তেওঁক এই সন্মান আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। বিশ্বনাথ জিলাৰ বিহালী শিক্ষা খণ্ডৰ অন্তৰ্গত 'ৰৌমাৰী বাপুজী প্ৰাথমিক বিদ্যালয়'ৰ প্ৰধান শিক্ষক হিচাপে কৰ্মৰত প্ৰেম বৈষ্ণৱক ২০২৫ চনৰ শিক্ষক দিৱসত জিলা প্ৰশাসনে 'জিলা কৃতী শিক্ষক বঁটা'ৰে পুৰস্কৃত কৰিছিল। বৰ্তমান তেওঁ বিশ্বনাথ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদকৰ দায়িত্বত থকাৰ লগতে 'অসম সাহিত্য সেৱা মঞ্চ' আৰু 'সাহিত্য সমাহাৰ প্ৰতিভাৰ সন্ধানত এখোজ মঞ্চ'ৰ সম্পাদক আৰু 'সাহিত্যৰ বৃষ্টি' তিনিমহীয়া আলোচনীৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। দীৰ্ঘদিনৰ পৰা সাহিত্য-সংস্কৃতিৰ সৈতে জড়িত বৈষ্ণৱে কবিতা, গল্প, অণুগল্প, প্ৰবন্ধ, উপন্যাস আদিৰ যোগেদি সাহিত্য চৰ্চা চলাই আহিছে। ইয়াৰ উপৰিও নবীন-প্ৰবীন কবিসকলৰ কবিতাৰ বস্তুনিষ্ঠ বিশ্লেষণৰ জৰিয়তে তেওঁ সুধীসমাজৰ বিশেষ আদৰ লাভ কৰিছে। ইতিমধ্যে তেওঁৰ ১২খন মৌলিক গ্ৰন্থ প্ৰকাশ পাইছে। ৬খন প্ৰবন্ধ সংকলন, পাঁচখন উপন্যাস, এখন কাব্য সংকলন, মুঠ ১২ খন গ্ৰন্থ প্ৰকাশৰ পথত। মাজুলীত অনুষ্ঠিত বাৰ্ষিক অধিৱেশনত 'নৱজাগৰণ সাহিত্য আৰু সংস্কৃতি মঞ্চ, অসম'ৰ সভাপতি প্ৰণৱ দাস আৰু সম্পাদক বাজু কলিতাই বৈষ্ণৱৰ এই অৱদানৰ মূল্যায়ন কৰি এই সন্মানেৰে ভূষিত কৰে। বিশিষ্ট সাহিত্যিকগৰাকীয়ে এই সন্মান লাভ কৰাত বিহালী তথা সমগ্ৰ বিশ্বনাথ জিলাৰ ৰাইজে তেওঁলৈ অভিনন্দন জ্ঞাপন কৰিছে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সহযোগী সম্পাদক ঃ ৰমেন ভৰালী
সম্পাদক ঃ প্ৰণতি বৰা